**মাংসৰ সন্ধানত মহানগৰীত অভিযান**

ই-সংবাদ, ৫ ডিচেম্বৰঃ ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত গোমাংস বিক্ৰী কৰা ৬ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, DECEMBER 6, 2024 ■ শুকুৰবাৰ, ২০ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৩ Guwahati, Assam ।। মূল্যঃ এটকা

## ‘পুষ্পা জ্বৰ’ত হায়দৰাবাদত প্ৰাণ গ’ল মহিলাৰ



হায়দৰাবাদ, ৫ ডিচেম্বৰঃ প্ৰিয় অভিনেতাগৰাকীক এবাৰ কাষৰ পৰা চোৱাৰ শেষাংশ ২ পৃষ্ঠাত

## ‘মহা’নাটকৰ যৱনিকা, মুখ্যমন্ত্ৰীৰ পদত ফড়নবিছ



### একনাথ সিন্ধে-পাৱাৰ উপ-মুখ্যমন্ত্ৰী

মুম্বাই, ৫ ডিচেম্বৰঃ অনুমান কৰা ধৰণেই মহাৰাষ্ট্ৰৰ নৱগঠিত চৰকাৰত পদ অৱনমিত হ’ল একনাথ সিন্ধেৰ। প্ৰায় দুবছৰ পূৰ্বে উদ্ধৱ থাকৰে নেতৃত্বাধীন মহা শেষাংশ ২ পৃষ্ঠাত



প্ৰিয়ংকা গান্ধীক সাক্ষাৎ ভূপেন বৰাৰ

### মন্ত্ৰী হ’ল প্ৰশান্ত, ৰূপেশ, কৃষ্ণেন্দু, কৌশিক ■ সঞ্জয়-ভৰেশক লৈ নতুন অংক

# অৱশেষত কপাল ফুলিল ৪ বিধায়কৰ

■ এজনক দিম বুলি কৈ শেষমুহূৰ্তত সিদ্ধান্ত সলনি ■ পদত্যাগ কৰা সঞ্জয়ৰ দিল্লী গমনক লৈ চলিছে অনেক চৰ্চা

ই-সংবাদ, ৫ ডিচেম্বৰঃ দিল্লীৰ পৰা উভতি আহিয়েই মন্ত্ৰীসভাত স্থান পাবলগীয়া তথা শপত ল’বলগীয়া বিধায়কৰ নাম ঘোষণা কৰে মুখ্যমন্ত্ৰী শেষাংশ ৫ পৃষ্ঠাত

## গৰুগাড়ীৰ পৰা লালবাটিৰ গাড়ীখনলৈ



বিতং বাতৰি ৫ পৃষ্ঠাত



## দ্বিতীয়গৰাকী মন্ত্ৰী পালে ডুমডুমাবাসীয়ে

ই-সংবাদ, ডুমডুমা, ৫ ডিচেম্বৰঃ শেষ নিশাৰ খেল হিচাপেও পৰিচিত ৰাজনীতিত অসম্ভৱ বুলি একো নাই। এই শেষ নিশাৰ শেষাংশ ৬ পৃষ্ঠাত

## মোদী মানেই আদানি, আদানি মানেই মোদী

### পুনৰ উত্তাল লোকসভা

নতুন দিল্লী, ৫ ডিচেম্বৰঃ পুনৰ আদানি প্ৰসংগই উত্তাল কৰিলে সংসদৰ মজিয়া। বৃহস্পতিবাৰে শীতকালীন অধিৱেশনৰ মাজতে পুনৰ শেষাংশ ৩ পৃষ্ঠাত

## সংসদত অসমৰ প্ৰসংগ

## ১০কোটিৰ উত্তৰ লাগে গৌৰৱ গগৈক



ই-সংবাদ, ৫ ডিচেম্বৰঃ পুনৰ বিতৰ্কিত উদ্যোগপতি গৌতম আদানি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে সৰৱ শেষাংশ ৪ পৃষ্ঠাত

## এপিএছচিৰ ফলাফল ঘোষণা

ই-সংবাদ, ৫ ডিচেম্বৰঃ অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ আজি শেষাংশ ৩ পৃষ্ঠাত

## বিটিআৰতো ইএম সম্প্ৰসাৰণ

ই-সংবাদ, কোকৰাঝাৰ, ৫ ডিচেম্বৰঃ বিটিচিৰ মুখ্য কাৰ্যবাহী শেষাংশ ২ পৃষ্ঠাত

## নাজিৰাৰ পদুম পুখুৰীৰ মৈদামৰ বিননি শুনিব কোনে? মন গ’লেই মাটি খান্দে!



ই-সংবাদ, নাজিৰা, ৫ ডিচেম্বৰঃ আহোম যুগৰ ছশ বছৰীয়া শাসনকালৰ বহু উদাহৰণ এতিয়াও জিলিকি আছে, তাৰে মাজতে বহু সংখ্যকৰ অৱস্থিতি শেষাংশ ৩ পৃষ্ঠাত

## গো-মাংসৰ নাম লৈ চৰকাৰে ঢাকিছে মৌলিক সমস্যা

### সৰৱ আছুৰ উৎপল শৰ্মা

ই-সংবাদ, ৫ ডিচেম্বৰঃ ডঃ হিমন্ত বিশ্ব শৰ্মা কেবিনেটে ৰাজ্যৰ ৰাজহুৱা স্থানত গো-মাংস নিষেধ কৰি কেবিনেটত লোৱা সিদ্ধান্তক আওপকীয়াকৈ তীব্ৰ শেষাংশ ৪ পৃষ্ঠাত

### বিহাৰৰ তিৰহাটৰ উপ-নিৰ্বাচনত আজব কাণ্ড

## ১৩৮ ভোটাৰৰ এজনেই পিতৃ! তেনেকৈয়ে দিলে ভোট



পাটনা, ৫ ডিচেম্বৰঃ বিধান পৰিষদৰ নিৰ্বাচনত ভোট দিবলৈ অহা শতাধিক ভোটাৰৰ পিতৃ এজনেই! এনে শেষাংশ ২ পৃষ্ঠাত

### ওম বিৰলাক অভিযোগ

## ৰাহুল গান্ধীক সম্বিতৰ অপমান, কংগ্ৰেছৰ পত্ৰ

নতুন দিল্লী, ৫ ডিচেম্বৰঃ লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ বিৰুদ্ধে শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মহা’নাটকৰ যৱনিকা মুখ্যমন্ত্ৰীৰ পদত

বিকাশ আঘাড়ীৰ চৰকাৰত বিসম্বাদৰ জোৱাৰ তুলি বিজেপিৰ সৈতে মিত্ৰতা কৰিছিল সিন্ধেই। তাৰ পিছতে বিজেপিয়ে ঢাকে-ঢোলে আদৰি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ আসনত বহুৱাইছিল একনাথ সিন্ধেক। কিন্তু এতিয়া সময় সলনি হৈছে। সেয়ে ৰাজ্যখনৰ নতুন চৰকাৰত মুখ্যমন্ত্ৰীৰ পদৰ আশা বাদ দি উপ-মুখ্যমন্ত্ৰীৰ পদতেই সন্তুষ্ট থাকিবলগীয়া হ’ল সিন্ধে। উল্লেখ্য যে, ২৩ ডিচেম্বৰত মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছত বিগত দিনত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পদক লৈ বিজেপি নেতৃত্বাধীন মহাযুটিৰ মাজত আৰম্ভ হৈছিল জল্পনা কল্পনাৰ। কিন্তু বৃহস্পতিবাৰে এই সকলোবোৰ সম্ভাৱনাৰ অৱসান ঘটাই তৃতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ’ল দেৱেন্দ্ৰ ফাড়নবিছ। ইয়াৰ সমান্তৰালভাৱে এই নতুন চৰকাৰত দুগৰাকীকৈ উপ-মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে দুই মিত্ৰদলৰ নেতা একনাথ সিন্ধে আৰু অজিত পাৱাৰে। বৃহস্পতিবাৰে মুম্বাইৰ আজাদ ময়দানত অনুষ্ঠিত হোৱা এই শপত গ্ৰহণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও। লক্ষণীয় যে, এই শপত গ্ৰহণ অনুষ্ঠানত সকলোৰে দৃষ্টি নিবদ্ধ হৈ পৰে সদ্য বিদায়ী মুখ্যমন্ত্ৰী একনাথ সিন্ধেৰ ওপৰত। নতুন চৰকাৰত তেওঁক অৰ্পণ কৰা উপ-মুখ্যমন্ত্ৰীৰ দায়িত্ব তেওঁ গ্ৰহণ কৰে নে নকৰে সেই লয় চৰ্চাও চলে। কিন্তু শেষ মুহূৰ্তত দেৱেন্দ্ৰ ফাড়নবিছকে মুখ্যমন্ত্ৰীৰূপে মানি লৈ উপ-মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰে অজিত পাৱাৰ আৰু একনাথ সিন্ধেই। ইফালে, মহাৰাষ্ট্ৰৰ মহাযুটি চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ লগতে উপস্থিত থাকে অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডাকে ধৰি বিজেপিৰ শীৰ্ষ নেতাসকল। লগতে এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, পুষ্কৰ সিং ধামী, চন্দ্ৰবাবু নাইডু, নীতিশ কুমাৰ আদিও এই উপলক্ষে উপস্থিত থাকে। বলীউডৰ তাৰকা শ্বাহৰুখ খান, ছলমান খান, ৰণবীৰ কাপুৰ আৰু উদ্যোগপতি মুকেশ আম্বানী, অনিল আম্বানী, কুমাৰ মংগলম বিৰলাৰ দৰে ব্যক্তিও উপস্থিত থাকে এই শপতগ্ৰহণ অনুষ্ঠানত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৩৮ ভোটাৰৰ এজনেই পিতৃ! তেনেকৈয়ে

এক আজৱ কাণ্ড সংঘটিত হৈছে বিহাৰৰ তিৰহাটত। তিৰহাট গ্ৰেজুৱেট বিধান পৰিষদৰ উপ-নিৰ্বাচনত ভোটদান কৰা ৭২৪ জন ভোটাৰৰ ১৩৮ জনৰ পিতৃৰ নাম একেই বুলি পোহৰলৈ অহাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। জানিব পৰা মতে, এইসকলৰ ভোটাৰৰ পিতৃ হিচাপে মুন্না কুমাৰ নামৰ এজন নাম উল্লেখ আছিল। এই বিসংগতি সন্দৰ্ভত তিৰহাট সংমণ্ডল আয়ুক্ত সৰ্বানন এময়ে কয় যে নিৰ্বাচনৰ পিছত বিষয়টোৰ তদন্ত কৰি পৰিস্থিতি অনুযায়ী “প্ৰয়োজনীয় ব্যৱস্থা” গ্ৰহণ কৰা হ’ব। লগতে তেওঁ কয় যে এই বিসংগতিৰ ফলত উপ-নিৰ্বাচন প্ৰক্ৰিয়াত কোনো প্ৰভাৱ নপৰে আৰু বৃহস্পতিবাৰৰ নিৰ্বাচন শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। উল্লেখ্য যে, এই নিৰ্বাচনত শাসকীয় জনতা দল (ইউনাইটেড)ৰ অভিষেক ঝা আৰু বিৰোধী ৰাষ্ট্ৰীয় জনতা দলৰ গোপী কিষাণকে ধৰি মুঠ ১৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লগতে প্ৰশান্ত কিশোৰৰ জন সুৰজ পাৰ্টিৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে প্ৰাক্তন মন্ত্ৰী ৰঘুনাথ পাণ্ডেৰ নাতি ডাঃ বিনায়ক গোস্বামীয়ে। মন কৰিবলগীয়া যে, ২ ডিচেম্বৰত লোকজন শক্তি পাৰ্টিৰ নেতা চিৰাগ পাছৱানে অভিষেক ঝাক দলৰ সমৰ্থন আগবঢ়াব বুলি ঘোষণা কৰিছিল। উল্লেখযোগ্য যে, ১.৫ লাখ ভোটাৰ থকা তিৰহাট গ্ৰেজুৱেট নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হয় ১৯৭ টা ভোটিং বুথত। এই ভোটগ্ৰহণৰ সময়তে মুজাফফৰপুৰ জিলাৰ ঔৰৈ ব্লকৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত সংঘটিত হয় এই আজৱ ঘটনা, য’ত মুন্না কুমাৰ নামৰ এজন লোকক তালিকাত ১৩৮ জন ভোটাৰৰ পিতৃ হিচাপে উল্লেখ কৰা হয়। আয়ুক্তগৰাকীয়ে কয়, "এয়া সম্ভৱতঃ কোনো কাৰিকৰী কাৰণত সংঘটিত হৈছে আৰু ইয়াৰ ফলত ভোটাৰৰ ভোটাধিকাৰত কোনো প্ৰভাৱ নপৰে। সকলো বৈধ ভোটাৰকে পৰিচয় পত্ৰ পৰীক্ষা কৰাৰ পিছত ভোটদান কৰিবলৈ দিয়া হৈছে।" কিন্তু তেওঁ লগতে কয় যে নিৰ্বাচনী প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ’ব। লক্ষণীয় যে, বিগত লোকসভা নিৰ্বাচনত সীতামৰ্হী সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা জনতা দল (ইউনাইটেড)ৰ এম এল চি দেৱেশ চন্দ্ৰ ঠাকুৰৰ পদ খালী হোৱাৰ বাবেই বিধান পৰিষদখনত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। আনহাতে, নিৰ্দলীয় প্ৰাৰ্থী বংশীধৰ ব্ৰিজৱাসীয়ে অভিযোগ উত্থাপন কৰে যে তেওঁ এই বিষয়টো কৰ্তৃপক্ষৰ আগত উত্থাপন কৰিছিল, কিন্তু এতিয়ালৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। মুজাফফৰপুৰত স্থানীয় সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে এনে বিসংগতিক লৈ ভোটাৰসকল অতিশয় চিন্তিত। জনতা দলৰ (ইউনাইটেড)ৰ প্ৰাৰ্থী অভিষেক ঝাই কয়, "এয়া অতি আচৰিত। ইমানবোৰ ভোটাৰ- বিভিন্ন বয়সৰ, ধৰ্মীয় বিশ্বাস আৰু পেছাৰ- সকলো একেজন ব্যক্তিৰ সন্তান কেনেকৈ হ’ব পাৰে?" উল্লেখ্য যে, এই উপ-নিৰ্বাচনৰ ফলাফল অহা ৯ ডিচেম্বৰত ঘোষণা কৰা হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুষ্পা জ্বৰত প্ৰাণ গ’ল মহিলা অনুৰাগীৰ

হেঁপাহতে কৰুণ মৃত্যুক সাৱটিবলগীয়া হ’ল এগৰাকী মহিলাই। দক্ষিণৰ চুপাৰষ্টাৰ আল্লু অৰ্জুনৰ বহু প্ৰত্যাশিত ছবি 'পুষ্পা ২ঃ দ্য ৰুল’ৰ প্ৰিমিয়াৰ শ্ব’ৰ সময়তে হায়দৰাবাদত সংঘটিত হয় এই শোকাবহ ঘটনা। প্ৰিমিয়াৰত উপস্থিত হোৱা আল্লু অৰ্জুনক চাবলৈ ভিৰ কৰাৰ সময়তে মৃত্যু ঘটে মহিলাগৰাকীৰ। আনহাতে এই ঘটনাত তেওঁৰ কণমানি পুত্ৰও আঘাতপ্ৰাপ্ত হৈ বৰ্তমান সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে হাস্পতালত। পিটিআইৰ সূত্ৰ অনুসৰি বুধবাৰে নিশা হায়দৰাবাদত ‘পুষ্পা ২: দ্য ৰুল’ৰ প্ৰিমিয়াৰ শ্ব’ৰ সময়ত চিনেমা হলৰ বাহিৰত এক বিশাল জনসমাগম হয়। অনুৰাগীসকলে অভিনেতা আল্লু অৰ্জুনৰ আভাস পাবলৈ আগ্ৰহী হৈ আছিল। অৱশ্যে আৰক্ষীয়ে জনোৱা মতে, ভিৰ চম্ভালিবলৈ চিনেমা হল কৰ্তৃপক্ষৰ ফালৰ পৰা কোনো ব্যৱস্থা নাছিল। আনকি চিনেমাখনৰ আল্লু অৰ্জুন আৰু অন্যান্য ক্ৰু মেম্বাৰৰ উপস্থিতিৰ বিষয়ে আৰক্ষীক আগতীয়াকৈ অৱগতও কৰা হোৱা নাছিল। প্ৰাথমিক তদন্ত অনুসৰি মাতৃ-পুত্ৰ একেলগে চিনেমা হলত প্ৰৱেশ কৰাৰ লগে লগে ভিৰৰ মাজত আবদ্ধ হৈ পৰে দুয়োগৰাকী। চিনেমা হলৰ বাহিৰত সৃষ্টি হোৱা বিশাল জনসমুদ্ৰৰ মাজত হেঁচা-ঠেলাত মাতৃ-পুত্ৰ অজ্ঞান হৈ পৰে। লগে লগে আৰক্ষীয়ে তেওঁলোকক চিপিআৰ কৰি চিকিৎসালয়লৈ লৈ যায় যদিও মহিলাগৰাকীৰ মৃত্যু হয়। অন্যহাতে এতিয়াও মহিলাগৰাকীৰ সন্তানৰ অৱস্থা সংকটজনক। সমগ্ৰ ঘটনাটোত গাফিলতিৰ অভিযোগ গোচৰ ৰুজু কৰিছে আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰতো ইএম সম্প্ৰসাৰণ

প্ৰমোদ বড়োৰ পৰামৰ্শমৰ্মে শ্ৰীৰামপুৰ সমষ্টিৰ বিজেপিৰ এমচিএলএ সজল কুমাৰ সিংহ আৰু চিৰাঙৰ ইউপিপিএলৰ এমচিএলএ ছাইখং বসুমতাৰীক বিটিচি কাৰ্যবাহী পৰিষদৰ কাৰ্যবাহী সদস্য ৰূপে অনুমোদন জনাইছে ৰাজভৱনে। এই সন্দৰ্ভত যোৱা ২ ডিচেম্বৰত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে ৰাজভৱনলৈ এক পত্ৰ প্ৰেৰণ কৰিছিল আৰু ইয়াৰ পিছতে ৪ ডিচেম্বৰত ৰাজভৱন সচিবালয়ৰ আয়ুক্ত সচিব মীনাক্ষী সুন্দৰমে বিটিচি কাৰ্যবাহী পৰিষদৰ সম্প্ৰসাৰণত ৰাজ্যপালৰ অনুমোদনৰ কথা সদৰি কৰি অসমৰ মুখ্য সচিবলৈ অনুমোদনপত্ৰ প্ৰেৰণ কৰে। তদুপৰি দুয়োজন কাৰ্যবাহী সদস্যক গোপনীয়তাৰ শপতবাক্য পাঠ কৰাবলৈ বিটিচিৰ প্ৰধান সচিবক কৰ্তৃত্ব প্ৰদান কৰে ৰাজভৱনে। বিটিচি কাৰ্যবাহী পৰিষদত দুটা কাৰ্যবাহী সদস্যৰ পদ খালী হৈ আছিল। ঘনশ্যাম দাস আৰু ৰেওৱেওৱা নাৰ্জীহাৰীৰ পৰা কাৰ্যবাহী সদস্যৰ পদ কৰ্তন কৰাত দীৰ্ঘদিনে খালী হৈ থকাত অসমৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সময়তে বিটিচিতো সম্প্ৰসাৰণৰ বিষয়টো লক্ষণীয় হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাজিৰাৰ পদুম পুখুৰীৰ মৈদামৰ বিননি

নাইকিয়া হৈ পৰিছে। নাইকিয়া হ'বলৈ ধৰা এইসমূহৰ ভিতৰত অন্যতম হৈছে শিৱসাগৰ জিলাৰ নাজিৰা সমজিলাৰ পদুম পুখুৰী অঞ্চলত থকা মৈদামসমূহ। অতি পৰিতাপৰ বিষয় যে এই মৈদামসমূহ খান্দি ইয়াৰ পৰা ওলোৱা ৰঙা মাটিবোৰ ঘৰৰ মজিয়া মচা কামত ব্যৱহৃত হৈছে বুলি বহুজনে অভিযোগ প্ৰকাশ কৰাৰ লগতে এই কাৰ্যত নাজিৰাৰ সচেতন মহল আচৰিত হৈ পৰিছে। ছশ বছৰৰ দৰে এটা দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে ৰাজশাসন কৰি অহা আহোমসকলৰ স্বীকৃতিসমূহক অৱহেলিত কৰা কাৰ্যক লৈও হতভম্ব হৈ পৰিছে সচেতন মহল। এফালে অতি ধুম-ধামেৰে আহোমৰ সাম্ৰাজ্যৰ প্ৰথমজন স্বৰ্গদেউ চাওলুং চ্যুকাফাক স্মৰণ কৰি অসম দিৱস উদযাপন কৰা হ'ল, আনফালে পদুম পুখুৰীৰ মৈদামৰ মাটি খান্দি লৈ ঘৰত ব্যৱহাৰ কৰা দেখিবলৈ পোৱা গ'ল। বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামে স্বীকৃতি লাভ কৰা পাছতে চৰাইদেউৰ মৈদামসমূহ বিশেষ হিচাপে জিলিকি উঠিল, অতি আটকধুনীয়াকৈ সজাই তোলা হ'ল চৰাইদেউ মৈদাম। কিন্তু ইয়াৰ বিপৰীতে অসমৰ বিভিন্ন ঠাইত থকা আহোম যুগৰ কীৰ্তিচিহ্নসমূহ বৰ্তমানেও অৱহেলিত ৰূপত আছে। অৱহেলিত ৰূপত আছে কাৰণেই বৰ্তমান বহু ঐতিহাসিক চিহ্ন ধ্বংস হৈ গৈছে অথবা লুপ্ত প্ৰায় হোৱাৰ উপক্ৰম হৈছে। ঐতিহাসিক চিহ্নসমূহ চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে চৰকাৰে বিভিন্ন সময়ত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে যদিও বিশেষভাৱে সফল হোৱা নাই। বিশেষকৈ পদুম পুখুৰীৰ মৈদামসমূহৰ চাৰিওফালে গছপুলি ৰোপণ কৰাৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিল যদিও সকলোবোৰ গছপুলিয়ে প্ৰতিপালনৰ অভাৱত মৰি গ'ল, তদুপৰি মৈদামৰ চাৰিওফালে পকী দেৱাল থকাৰ পৰিৱৰ্তে আছে কেৱল দুটা পকী খুঁটা। চৰাইদেউ মৈদামক যিমান গুৰুত্ব প্ৰদান কৰা হৈছে তাৰ সমান্তৰালভাৱে এইসমূহ মৈদাম তথা কীৰ্তিচিহ্নক অৱহেলা কৰাত চিন্তিত হৈ পৰিছে সচেতন মহল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী মানেই আদানি, আদানি মানেই

আদানি প্ৰসংগৰে সংসদ চৌহদ উত্তাল কৰি তোলে বিৰোধী 'ইণ্ডিয়া' মিত্ৰজোঁটৰ সাংসদসকলে। 'মোদী-আদানি এক হ্যে' আৰু 'আদানি চেফ হ্যে' ষ্টিকাৰ লগোৱা ক'লা জেকেট পৰিধান কৰি আদানিৰ বিৰুদ্ধে যুটীয়া সংসদীয় সমিতিৰ তদন্তৰ দাবীৰে বৃহস্পতিবাৰে সংসদ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীৰ লগতে 'ইণ্ডিয়া' মিত্ৰজোঁটৰ সাংসদসকলে। অৱশ্যে পূৰ্বৰ দিনবোৰৰ দৰেই আদানি কাণ্ডৰ প্ৰতিবাদৰ পৰা আজিও আঁতৰি থকা দেখা যায় সমাজবাদী পাৰ্টি আৰু তৃণমূল কংগ্ৰেছৰ সাংসদসকলক। লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে তেওঁৰ পৰিচিত বগা টি-চাৰ্টত এই ষ্টীকাৰ লগাই প্ৰতিবাদত অংশগ্ৰহণ কৰে। তেওঁ দাবী কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিৰ বিৰুদ্ধে তদন্ত কৰিব নোৱাৰে, কিয়নো ইয়াৰ ফলত তেওঁৰ বিৰুদ্ধে তদন্তৰ পৰিস্থিতিৰ সৃষ্টি হ'ব। কংগ্ৰেছৰ সাংসদ প্ৰিয়ংকা গান্ধী বাদ্ৰাৰ লগতে অন্যান্য বিৰোধী দল, যেনে ৰাষ্ট্ৰীয় জনতা দল (আৰজেডি) আৰু বাওঁপন্থী দলৰ সাংসদসকলেও অংশগ্ৰহণ কৰে এই প্ৰতিবাদত। ৰাহুল আৰু প্ৰিয়ংকাই অভিযোগ কৰে যে উৎকোচ আৰু জালিয়াতিৰ অভিযোগত আমেৰিকাৰ আদালতত আদানিক দোষী সাব্যস্ত হোৱাৰ পিছত সংসদত আদানি প্ৰসংগত আলোচনা হ'ব লাগে আৰু প্ৰধানমন্ত্ৰী মোদীয়ে সংসদত বিষয়টো সম্বোধন কৰা উচিত। প্ৰতিবাদকাৰী সাংসদসকলে সদনৰ বাহিৰত মোদী আৰু আদানিৰ বিৰুদ্ধে শ্লোগান দিয়ে। উল্লেখ্য যে, মঙলবাৰে লোকসভা সচিবালয়ে এক পৰামৰ্শ জাৰি কৰি সাংসদসকলক সংসদৰ গেটৰ সন্মুখত প্ৰতিবাদ নকৰিবলৈ আহ্বান জনাইছিল, যাতে যাতায়তত কোনো ধৰণৰ ব্যাঘাত নজন্মে আৰু নিৰাপত্তা বিঘ্নিত নহয়। লক্ষণীয় যে, আমেৰিকাৰ আদালতত দোষী সাব্যস্ত হোৱা পুঁজিপতি গৌতম আদানিৰ বিৰুদ্ধে যুটীয়া সংসদীয় সমিতিৰ তদন্তৰ দাবী জনাই আহিছে কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে। অৱশ্যে এই দাবীৰ পৰা আঁতৰি আছে পশ্চিমবংগৰ শাসকীয় দল তৃণমূল কংগ্ৰেছ আৰু উত্তৰ প্ৰদেশৰ প্ৰধান বিৰোধী সমাজবাদী পাৰ্টি। তদ্ৰুপ বৃহস্পতিবাৰৰ প্ৰতিবাদত ভাগ লোৱাৰ পৰাও এই দুই দলে আঁতৰি থকা পৰিলক্ষিত হয়। অন্যহাতে কংগ্ৰেছে দাবী কৰিছে যে আদানিৰ বিৰুদ্ধে উৎকোচ আৰু জালিয়াতিৰ অভিযোগে "জেপিচি তদন্ত"ৰ প্ৰয়োজনীয়তাক ন্যায্যতা প্ৰদান কৰিছে। আদানিক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনাই আহিছে ৰাহুল গান্ধীয়ে। কিন্তু বিৰোধীৰ দাবীৰ বিপৰীতে আদানি গ্ৰুপে সকলো অভিযোগক "ভিত্তিহীন" বুলি খাৰিজ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপিএছচিৰ ফলাফল ঘোষণা

ফলাফল ঘোষণা কৰিছে। ২০২৪ চনৰ মাৰ্চ মাহৰ প্ৰাৰম্ভিক পৰীক্ষাৰ আৰম্ভ হৈছিল আৰু আজি ঘোষিত ফলাফল অনুসৰি ২৩৫ পৰিক্ষাৰ্থীয়ে এচিএছ আৰু এপিএছত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। ফলাফলত মহিলাৰ আধিপত্য অক্ষুন্ন থাকে। তালিকাৰ শীৰ্ষ দহগৰাকীৰ ভিতৰত ৭গৰাকীয়ে মহিলা পৰিক্ষাৰ্থীৰ নাম আছে। তালিকাত উত্তীৰ্ণ শীৰ্ষ দহ পৰিক্ষাৰ্থীৰ ভিতৰত চিৰঞ্জীৱ ফুকন, এনিশা বুৰাগোহাঁই, হিমাদ্ৰী জিতা বৰা, মৃগাক্ষী বৰুৱা, টুটু মণি কাকতি, মৃদুস্মিতা ৰায়, মেৰী কলিতা, দীক্ষা সৰকাৰ, নীলাম গাৰ্গ, অংকিতা ছেত্ৰী আছে। ১০ শীৰ্ষ নম্বৰ প্ৰাপ্তৰ ভিতৰত আছে ৭গৰাকী মহিলা। বিগত কেইবাটাও এপিএছচিৰ পৰীক্ষাত মহিলাৰ উত্তীৰ্ণ হাৰৰ দৰেই এইবাৰ মহিলাৰ সংখ্যা বৃদ্ধি হৈছে। শীৰ্ষস্থানত থকা চিৰঞ্জীৱ ফুকনে ৮৭২ নম্বৰ লাভ কৰিছে। চিৰঞ্জীৱ ফুকন শিলচৰ এনআইটিৰ ছাত্ৰ আছিল আৰু লণ্ডন স্কুল অৱ ইকন'মিকচ ডিগ্ৰীধাৰী। ২৩৫ উত্তীৰ্ণ পৰিক্ষাৰ্থীৰ ভিতৰত এচিএছ ৪৫, এপিএছ ৩৫, এএফএছত ১৩, অসম একাউণ্টছ ছাৰ্ভিচত ১০৭, পৰিদৰ্শন অডিটৰ ১১, কৰ অধীক্ষক এগৰাকী, আবকাৰী অধীক্ষক এগৰাকী, অসম বিত্ত সেৱাত ১৩, খণ্ড উন্নয়ন বিষয়া ৬, সমবায়ৰ সহকাৰী পঞ্জীয়ক ৪, কৰ পৰিদৰ্শক ৪, শ্ৰম পৰিদৰ্শক ৪, সহকাৰী নিয়োগ বিষয়া এগৰাকী আৰু উপ-পঞ্জীয়ক এগৰাকী আছে। ১৯ ছেপ্টেম্বৰত অসম লোকসেৱা আয়োগৰ মূল লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছিল। মূল পৰীক্ষাত ৭১১গৰাকী পৰীক্ষাৰ্থী সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। অসম লোকসেৱা আয়োগৰ মূল পৰীক্ষাত উত্তীৰ্ণ ৭১১গৰাকী পৰীক্ষাৰ্থীয়ে ১৩ নৱেম্বৰত সাক্ষাতকাৰ দিছিল। ৰাজপত্ৰিত বিষয়াৰ পদবীসহ ৰাজ্য চৰকাৰে প্ৰায় চাৰি শতাধিক পদবীৰ বাবে ২৬, ২৭ আৰু ২৮ জুলাইত অনুষ্ঠিত কৰিছিল মূল পৰীক্ষা। মূল পৰীক্ষাত অৱতীৰ্ণ হৈছিল ২,৮৯৮ গৰাকী পৰিক্ষাৰ্থী। এইবাৰৰ এপিএছচি পৰীক্ষাতো বৃদ্ধি পালে মহিলাৰ উত্তীৰ্ণৰ হাৰ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১০কোটিৰ উত্তৰ লাগে গৌৰৱ গগৈক

হৈছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈ। আজি পুনৰ বিৰোধীৰ সাংসদসকলে সংসদ ভৱনৰ বাহিৰত প্ৰতিবাদ কৰাৰ সময়তে গৌতম আদানি আৰু নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে সৰৱ হয় গৌৰৱগগৈয়ে সাংবাদমাধ্যমৰ মুখামুখি হৈ সৰৱ হয়। গৌৰৱ গগৈয়ে কয় যে মোদী আৰু আদানিৰ সম্পৰ্কৰ প্ৰমাণ কৰে আজি আমি পিন্ধা কলা জেকেটৰ পিছফালে থকা ষ্টিকাৰটো। সদনত থকা বিৰোধীৰ সাংসদসকলে স্পষ্টিকৈ কৈছে যে আজিলৈকে দেশৰ যিমান বিমানবন্দৰ ব্যক্তিগত খণ্ডক গটোৱা হৈছে, সকলো আদানিক দিয়া হৈছে। ইয়াৰ দ্বাৰা মুনাফা আদানিৰহে হৈছে বুলি মন্ত্ৰীয়ে খোদ সদনত মানি লৈছে। এজন মানুহৰে উন্নয়ন হৈছে। এজন থাকিলেই এজন সুৰক্ষিত। ভাৰতৰ সদনত আদানিৰ এজেণ্ট থকা বুলি দাবী কৰি গৌৰৱ গগৈয়ে কয় যে যেতিয়াই ৰাহুল গান্ধীয়ে আদানিৰ বিৰুদ্ধে কিবা ক'ব খোজে তেতিয়াই আদানিৰ এজেণ্টসকল সৰৱ হয়। যেতিয়াই ৰাহুল গান্ধীয়ে আদানিৰ বিৰুদ্ধে কিবা ক'ব খোজে তেতিয়াই সংসদত থকা আদানিৰ শ্লিপাৰ চেল সৰৱ হয়। আনহাতে, ৰাহুল গান্ধীক উত্তৰ প্ৰদেশৰ হিংসাগ্ৰস্ত চম্ভললৈ যাওঁতে আদবাটতে ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীক বাধা দিয়াৰ বিষয়টো সদনত উত্থাপন কৰা সন্দৰ্ভত মন্তব্য ৰাখি গৌৰৱ গগৈয়ে কয় যে শান্তি আৰু ভাতৃত্বৰ বাৰ্তা লৈ ৰাহুল গান্ধীয়ে চম্ভল যাব খুজিছিল। আমি আজি এই বিষয়টো সদনত উত্থাপন কৰিব বিচাৰিছিলো। কিন্তু অধ্যই বিজেপিৰ এজন সাংসদক ঘৃনণীয় কথা ৰাখিবলৈ সুবিধা দিলে যি কথা বাহিৰত ক'ব নোৱাৰে। যি কথাবাহিৰত ক'লে মানহানিৰ গোচৰ লাগিব আৰু জেল যাব লাগিব। যিগৰাকী অধ্যক্ষই এক মিনিট পূৰ্বে সংসদৰ মৰ্যদাৰ পাঠ পঢ়াই আছিল তেনে সময়তে সেই পাঠ দলিয়াই তেওঁৰে বিজেপি দলৰ সাংসদে ঘৃণনীয় কথা উপস্থাপন কৰে। এই সন্দৰ্ভত আমি অধ্যক্ষক অভিযোগ দিছো অধ্যক্ষই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। ইপিনে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ সৈতে জড়িত খাদ্য সংসাধন উদ্যোগক লৈ গগৈয়ে অসমৰ বিষয় উল্লেখ কৰি কয় যে অসমত ফুড প্ৰেচেচিং উদ্যোগৰ ভৱিষ্যত আছে। প্ৰধানমন্ত্ৰী কৃষি সম্পদা যোজনা নামৰ আঁচনি আছে। এই আঁচনিৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে ১০ কোটি টকা আৱণ্টন দিয়ে। অসমত এই আঁচনিৰ কিমান হিতাধিকাৰী আছে আৰু ৰূপায়ন কৰা আঁচনিসমূহ কিমান আগবাঢ়িছে সেই তথা জানিব খোজো। এনে হিতাধিকাৰী আছে যিয়ে ১০ কোটি আৱণ্টন পাইছে যদিও টকাৰ ব্যৱহাৰ কৰা নাই সেই কথা বিভাগীয় মন্ত্ৰীৰ পৰা উত্তৰ বিচাৰে গৌৰৱ গগৈয়ে। বিভাগীয় ৰাজ্যিক মন্ত্ৰী ৰবণীট সিং বিটুৱে সদনত গগৈৰ প্ৰশ্নৰ উত্তৰ দি অসমত ১১৫ হিতাধিকাৰক এই আঁচনি লাভ কৰিছে বুলি কয়। এই সন্দৰ্ভত অধিক তথ্য প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে মন্ত্ৰীগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গো-মাংসৰ নাম লৈ চৰকাৰে ঢাকিছে

সমালোচনা কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৰকাৰে মৌলিক সমস্যাসমূহ ঢাকিবলৈ অনাহকত বিতৰ্কৰ সৃষ্টি কৰিবলৈ গো-মাংস নিষেধ কৰাৰ সিদ্ধান্ত লোৱাৰ অভিযোগ আনিছে। বিজেপিয়ে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিটো প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হোৱাত মৌলিক সমস্যাৰ কথাবোৰ বিপথে নিবলৈ গৰুৰ দৰে বিষয়সমূহ অনা বুলি অভিযোগ আনিছে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। বিদেশী সমস্যা, সীমান্ত ছীল্ড, টোলগেটৰ টেক্স, স্মাৰ্ট মিটাৰ, নিবনুৱা সমস্যাৰ চৰ্চাক ঢাকিবলৈ এনে বিষয়বোৰ অনা বুলি কয় আছুৰ সভাপতি উৎপল শৰ্মাই। আজি চৰকাৰে লোৱা এনে সিদ্ধান্তক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি উৎপল শৰ্মা কয় যে অসমত আজিলৈ বিদেশী সমস্যা সমাধন নহ'ল। ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল্ড নহ'ল। অসমীয়া মানুহে সাংবিধানিক ৰক্ষা কৱচ নাপালে। বান-খহনীয়াই ৰাষ্ট্ৰীয় সমস্যাৰ মৰ্যাদা নাপালে। অসমৰ মানচিত্ৰ সংকুচিক হৈ আহিছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধিত মানুহ জুৰুলা হৈছে। টোলগেটৰ ভয়ত মানুহে ঘৰৰ পৰা গাড়ী উলিয়াব ভয় কৰা হৈছে। স্মাৰ্ট মিটাৰৰ নামত স্মাৰ্ট ডকাইতি চপাই দি ৰাইজৰ পকেটৰ ধন ৰাজকোষলৈ সৰবৰাহ কৰিছে। নিবনুৱা সমস্যাই ইমান ভয়াবহ ৰূপ লৈছে যে ৫ হাজাৰ চাকৰি ওলালে ১১ লাখে আবেদন কৰে। অসমত ভাবিবলৈ, পাতিবলৈ, কৰিবলৈ বহু গুৰুত্বপূৰ্ণ বিষয় আছে। সেই বিষয়বোৰত আমি মনোনিৱেশ কৰিব লাগে। মূল সমস্যাসমূহৰ পৰা দৃষ্টি আতৰাই ৰাখিবলৈ প্ৰয়াস চলিছে। কিন্তু আমি মূল বিষয়সমূহত লাগি থাকিব লাগে বুলি কয় সভাপতিগৰাকীয়ে। যেতিয়ালৈকে অসমৰ জনগণৰ মৌলিক সমস্যাসমূহ সমাধান নহয় তেতিয়ালৈকে আন যিকোনো বিপথে নিব পৰা বিষয়ক এৰাই চলিব লাগে বুলি আহ্বান জনাইছে। সভাপতি শৰ্মাই কয় যে মৌলিক বিষয়সমূহত আমি লাগি থাকিব লাগিব। তাৰ বিকল্প নাই। বিজেপিয়ে চৰকাৰে গঠন কৰিব পাৰিলে বছৰি ২ লাখকৈ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰ কথা পুনৰ মনত পেলাই দি উৎপল শৰ্মাই আৰু কয় যে প্ৰতিশ্ৰুতি আছিল ২৩ লাখ ২৪ লাখ নিবনুৱাক সংস্থাপন দিয়াৰ। প্ৰতিশ্ৰুতি আছিল ১৬ মে'ৰ পাছত বিদেশী খেদি পঠিওৱাৰ। প্ৰতিশ্ৰুতি আছিল বান-খহনীয়াৰ পৰা অসমৰ জনসাধৰণক মুক্ত কৰা আৰু জনসাধাৰণৰ হকে কাম কৰাৰ। গোটেই কেইটা প্ৰতিশ্ৰুতি পালনত বিজেপি ব্যৰ্থ হৈছে। সেয়েহে সেই প্ৰতিশ্ৰুতিৰ পৰা দৃষ্টি আতৰাবলৈ কোনে কি পিন্ধিব সেইবোৰতো সোমাব বিজেপি। সকলো বিষয়বাদ দি মৌলিক সমস্যাক লৈ আলোচনা কৰিবলৈ ৰাইজক আহ্বান জনাইছে আছুৰ সভাপতিগৰাকীয়ে। লগতে ইতিহাসে সকলোকে মূল্যায়ণ কৰে বুলি কৈ শৰ্মাই আৰু কয় যে ইতিহাসৰ মূল্যায়ন খুব নিৰ্মোহ হয়, বাস্তৱধৰ্মীও। আজিৰ ৰজাঘৰীয়াক মূল্যায়ণ কৰিব। আজিৰ চৰকাৰে লোৱা সিদ্ধান্তবোৰত ইতিহাসে মূল্যায়ণ কৰিব। সপক্ষে থকা বা বিপক্ষে থকাসকলোৰো মূল্যায়ণ হ'ব। যেতিয়া সময়তে এই সময়ত মূল্যায়ণ কৰিব তেতিয়া সদৌ অসম ছাত্ৰক ৰাইজৰ মৌলিক সমস্যাক মূল্যায়ণ কৰি থকা সংগঠন হিচাপে মূল্যায়াংকিত সংগঠন হৈ থাকিব বিচাৰো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীক সম্বিতৰ অপমান, কংগ্ৰেছৰ

'মানহানিকৰ ভাষা' ব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছে বিজেপিৰ সাংসদ সম্বিত পাত্ৰৰ বিৰুদ্ধে। পুৰী লোকসভা সমষ্টিৰ সাংসদজনে ৰাহুল গান্ধীক অপমান কৰাৰ অভিযোগেৰে বৃহস্পতিবাৰে লোকসভাৰ অধ্যক্ষ ওম বিৰলালৈ এখন পত্ৰ লিখে কংগ্ৰেছৰ সাংসদ মণিকম ঠাকুৰে। এই পত্ৰযোগে কংগ্ৰেছ নেতাগৰাকীয়ে সম্বিত পাত্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে অধ্যক্ষক আহ্বান জনায়। উল্লেখ্য যে, সম্বিত পাত্ৰই বৃহস্পতিবাৰে সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপৰ সময়ত ৰাহুল গান্ধীক আক্ৰমণ কৰি কৈছিল, "মই নিশ্চিতভাৱে ক'ব পাৰো যে ৰাহুল গান্ধী উচ্চতম পৰ্যায়ৰ দেশদ্ৰোহী।" বিজেপি নেতাজনৰ এই মন্তব্যৰ পিছতে লোকসভাৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰি কংগ্ৰেছ সাংসদ মণিকম ঠাকুৰে কয়, "৫ ডিচেম্বৰত নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত সম্বিত পাত্ৰই বিৰোধী দলৰ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে অতি মানহানিকৰ ভাষা ব্যৱহাৰ কৰিছে, ইয়াৰ বাবেই মই লোকসভাৰ অধ্যক্ষলৈ পত্ৰ লিখিছো।" তেওঁ লগতে কয়, "এনে আচৰণে কেৱল সংসদৰ ভাবমূৰ্তিয়েই ক্ষতিগ্ৰস্ত নকৰে, লগতে এক উচ্চ সাংবিধানিক স্থিতিকো অসন্মান কৰে। সংসদৰ ৰক্ষক হিচাপে, মই আপোনাক সম্বিত পাত্ৰৰ বিৰুদ্ধে তাৎক্ষণিক আৰু কঠোৰ ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো।" ইফালে, অসমৰ সাংসদ গৌৰৱ গগৈয়ে বিজেপিৰ সাংসদে ৰাহুল গান্ধীক লৈ কৰা মন্তব্যক তীব্ৰ গৰিহণা দিয়ে। গৌৰৱ গগৈয়ে কয় যে অধ্যক্ষই বিজেপিৰ এজন সাংসদক ঘৃনণীয় কথা ৰাখিবলৈ সুবিধা দিলে, যি কথা বাহিৰত ক'ব নোৱাৰে। যি কথা বাহিৰত ক'লে মানহানিৰ গোচৰ লাগিব আৰু জেল যাব লাগিব। যিগৰাকী অধ্যক্ষই এক মিনিট পূৰ্বে সংসদৰ মৰ্যদাৰ পাঠ পঢ়াই আছিল তেনে সময়তে সেই পাঠ দলিয়াই তেওঁৰে বিজেপি দলৰ সাংসদে ঘৃণনীয় কথা উপস্থাপন কৰে। এই সন্দৰ্ভত অধ্যক্ষই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। বিজেপি সাংসদজনৰ মন্তব্যক লৈ এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত কপাল ফুলিল ৪ বিধায়কৰ

ড০ হিমন্ত বিশ্ব শৰ্মাই। পূৰ্বে ঘোষিত তাৰিখ অনুসৰি ৭ ডিচেম্বৰত কোনকেইগৰাকী বিজেপি বিধায়কে মন্ত্ৰী হিচাপে শপত ল'ব সেয়া আজি সামাজিক মাধ্যমত পোষ্ট দি স্পষ্ট কৰি দিয়ে মুখ্যমন্ত্ৰী শৰ্মাই। প্ৰায় এবছৰ পূৰ্বৰে পৰা জল্পনা-কল্পনা চলি আছিল যদিও অৱশেষত আজি মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া চাৰি বিধায়কৰ নামত ছীল-মোহৰ লগায় সকলো উৎকণ্ঠাৰ অৱসান ঘটায়। এই অনুযায়ী সাপো নমৰক লাঠিও নাভাগক আৰু এক গুলীত দুই চিকাৰ নীতিৰে হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাত স্থান লাভ কৰে ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা আৰু পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালে। দিল্লীৰ অনুমোদনৰ পিছতে চাৰিগৰাকী বিধায়কক মন্ত্ৰীসভাত স্থান দিয়াৰ কথা আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। চৰ্চা চলা মতেই বৰাকৰ দুই বঙালী নেতাই লাভ কৰে মন্ত্ৰী পদ। উজনিৰ দুজন বিধায়কেও মন্ত্ৰীসভাত স্থান লাভ কৰিছে। মন্ত্ৰীসভা সম্প্ৰসাৰণত জাতি-জনগোষ্ঠীৰ সমীকৰণক অত্যাধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ইপিনে, আজি চাহ জনগোষ্ঠীৰ আগশাৰীৰ নেতা তথা কেবাটাও বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা সঞ্জয় কিষাণে পুৱাই মন্ত্ৰী পদৰ পৰা পদত্যাগ কৰি দিল্লীলৈ ৰাওনা হয়। সঞ্জয় কিষাণে হঠাৎ পদ ত্যাগ কৰি দিল্লীলৈ উৰা মৰা কাৰ্যলৈ চাই তেওঁক ভৱেশ কলিতাৰ স্থলাভিষিক্ত কৰা হ'ব পাৰে বুলি বুঃবুঃবাঃবাঃ আৰম্ভ হৈছে। চাহ-জনজাতি উন্নয়ন মন্ত্ৰী সঞ্জয় কিষাণৰ ঠাইত ডুমডুমাৰ বিজেপি বিধায়ক ৰূপেশ গোৱালাক মন্ত্ৰী কৰা হৈছে। মন্ত্ৰী সঞ্জয় কিষাণে পদত্যাগ কৰা বুলি খোদ বিবৃতি দিয়া নাই যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি কয় সেই মতেই চলিম বুলি কয় সঞ্জয় কিষাণে। সঞ্জয় কিষাণ হঠাৎ দিল্লী অভিমুখে উৰা মৰাত বিজেপিৰ ভিতৰচ'ৰাত ব্যাপক চৰ্চা আৰম্ভ হৈছে। সঞ্জয় কিষাণে ৰাজ্যিক সভাপতি পদ দিয়া হ'ব নে অন্য কিবা কাৰণত পদত্যাগ কৰিছে সেই সন্দৰ্ভত বিজেপিয়ে আনুষ্ঠানিক বিবৃতি দিয়া নাই। কিন্তু সঞ্জয় কিষাণে দিল্লা উৰা মৰাৰ পিছতে চাৰি বিধায়কক মন্ত্ৰীসভাত স্থান দিয়াৰ ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। চাহ জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সঞ্জয় কিষাণৰ ঠাইত বিজেপিৰ চাহ জনগোষ্ঠীৰ বিধায়ক ৰূপেশ গোৱালাক মন্ত্ৰিত্ব দিয়াৰ ঘোষণা কৰা হয়। পূৰ্বতে বৰাক উপত্যকাৰ পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালৰ নাম চৰ্চাত থকাৰ দৰেই মন্ত্ৰীসভাত স্থান দিয়া হৈছে। পাথাৰকান্দি সমষ্টিৰ পৰা ২০১৬ আৰু ২০২১ চনত দুবাৰকৈ বিধায়ক হৈছে কৃষ্ণেন্দু পাল। আনহাতে কৌশিক ৰায়ে ২০২১ চনত প্ৰথমবাৰলৈ লক্ষীপুৰ সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈয়ে মন্ত্ৰীত্ব লাভ কৰিছে। যুৱ, জ্যেষ্ঠতা, ভোটৰ সমীকৰণ, হিন্দুত্বত লক্ষ্য কৰি মন্ত্ৰীসভা সম্প্ৰসাৰণ তথা ৰদ-বদল কৰা হৈছে। সংসদীয় নিৰ্বাচনৰ পিছৰে পৰা বৰাক মন্ত্ৰীশূন্য হৈ থকাৰ ফলতে মন্ত্ৰীসভা সাল-সলনিৰ বিষয়টো বেছিকৈ চৰ্চালৈ আহিল যদিও মন্ত্ৰীসভাৰ সাল-সলনিৰ বিষয়াটো প্ৰায় ডেৰ এক বছৰৰ পৰা চৰ্চাত আছিল। মুখ্যমন্ত্ৰীয়ে মাথো এজনক বৰাকৰ পৰা মন্ত্ৰীত্ব দিয়াৰ ঘোষণা কৰিছিল। কিন্তু দিল্লীলৈ গৈ মুখ্যমন্ত্ৰীয়ে আলোচনা কৰাত মুখ্যমন্ত্ৰীয়ে সেই সিদ্ধান্ত সলনি কৰে। জানিব পৰা মতে, ৭ ডিচেম্বৰৰ দিনৰ ১২ বজাত ৰাজভৱনত চাৰি নতুন মন্ত্ৰীয়ে শপত ল'ব। উল্লেখ্য যে, 'এক গুলীত দুই চিকাৰ' নীতি অৱলম্বন কৰি মুখ্যমন্ত্ৰীয়ে পুৰণি বিজেপি আৰু সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ প্ৰশান্ত ফুকনক মন্ত্ৰিত্ব প্ৰদান কৰি ৰাজ্যত পুৰণি বিজেপিক বঞ্চিত কৰি অহা বুলি সময়ে সময়ে উত্থাপিত হৈ অহা অভিযোগকো নস্যাৎ। একেদৰে একেটা গুলীৰে সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠসকলক যোগ্য স্থান নিদিয়াৰ যি অভিযোগ সেয়াও নস্যাৎ কৰিবলৈ চেষ্টা চলাইছে হিমন্ত বিশ্ব শৰ্মাই। ধলাই সমষ্টিৰ বিধায়ক পৰিমল শুক্লবৈদ্য শিলচৰৰ সাংসদ নিৰ্বাচিত হোৱাত মন্ত্ৰীসভা বৰাক শূন্য হৈ পৰিছিল, যাৰ বাবে এগৰাকী বৰাকৰ বিধায়কক মন্ত্ৰী পদ দিয়াৰ চৰ্চা চলিছিল যদিও মূৰকত দুগৰাকী বিধায়কক মন্ত্ৰী কৰে। ইয়াৰ দ্বাৰা ২০২৬ চনৰ ভোটৰ সমীকৰণ মিলাই দুই বঙালী বিধায়ক, এজন চাহ জনগোষ্ঠীৰ বিধায়কক মন্ত্ৰী কৰিছে বিজেপিয়ে। বিজেপিৰ ভোটবেংক হিচাপে প্ৰতিপন্ন হৈ অহা অসমৰ বাংলাভাষী হিন্দুসকলক দুই মন্ত্ৰী উপহাৰ দিছে বিজেপিয়ে। ইফালে, আৰু এজন বিধায়কক মন্ত্ৰী পদ দিব পৰাকৈ ৰখাত সঞ্জয় কিষাণে দলীয় দায়িত্ব লাভ কৰিলে সেই স্থানত বৰ্তমাৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা অন্তৰ্ভুক্ত হ'ব পাৰে বুলিও চৰ্চা চলা দেখা গৈছে। অৱশ্যে সেয়া সময়তহে স্পষ্ট হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৰুগাড়ীৰ পৰা লালবাটিৰ গাড়ীখনলৈ

**ই-সংবাদ, ৫ ডিচেম্বৰঃ** ২০১৬ চনত সৰ্বানন্দ সোণোৱালৰ মন্ত্ৰীসভাত নেতাজনে স্থান পোৱাতো সকলোৱে খাটাং বুলিয়েই ধৰি লৈছিল। কিয়নো তেওঁ সোণোৱালৰ ঘনিষ্ঠ আছিল আৰু একেখন জিলাৰে আছিল। ইমানে নহয় সৰ্বানন্দ সোণোৱাল অগপত থকাৰ সময়তে বিজেপি দললৈ আনিব লাগে বুলি প্ৰথম চৰ্চা কৰা মানুহজনেই আছিল তেওঁ। ৰাজ্যত বিজেপিৰ অস্তিত্ব নথকাৰ সময়তে তেওঁক দিল্লীয়ে দিয়া টিকটত বিধানসভালৈ নিৰ্বাচিত হৈ দিছপুৰত দপদপাই আছিল। বিধানসভাত তৰুণ গগৈ চৰকাৰক তীব্ৰ আক্ৰমণ কৰিছিল। সকলো সময়তে চৰকাৰক সমালোচনা কৰিছিল। চিলিণ্ডাৰ, পেট্ৰল-ডিজেলৰ দাম বাঢ়িলে গৰুগাড়ীত উঠি প্ৰতিবাদ কৰিছিল। কংগ্ৰেছ চৰকাৰৰ সময়ত ডিঙিত আলু-পিঁয়াজৰ মালা পিন্ধি মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। ২০১৬ চনত বিজেপিয়ে প্ৰথমবাৰ চৰকাৰ গঠনৰ পূৰ্বে বিজেপিৰ হৈ যুঁজ কৰাসকলৰ ভিতৰত তেওঁ এজন অন্যতম নেতা। ২০১৬ চনৰ পূৰ্বে আঙুলিৰ মূৰত গণিব পৰা বিজেপি নেতাসকলৰ মাজৰ তেওঁ অন্যতম আছিল যদিও বিজেপিয়ে চৰকাৰ গঠন কৰাৰ পিছত মন্ত্ৰিত্ব নাপালে। লাজে-অপমানে নিজকে ঘৰৰখীয়া বুলি ক'বলৈ বাধ্য হ'ল। সৰ্বানন্দ সোণোৱালে তেওঁক মন্ত্ৰিত্ব প্ৰদান নকৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সৰ্বানন্দ সোণোৱালৰ প্ৰথম পাঁচবছৰ এনেদৰেই গ'ল যদিও পুনৰ ২০২১ চনত চৰকাৰ গঠন হ'ল। ২০২১ চনতো নেতাজনৰ একেই দশা হ'ল। কেইদিনমান আগত বিজেপিলৈ অহা কমবয়সীয়া নেতা মন্ত্ৰী হ'ল। কিন্তু তেওঁ মন্ত্ৰিত্ব নাপালে। বহু বিজেপি নেতাই সেই সময়তে কংগ্ৰেছৰ পৰা অহা নেতাসকলে অধিক গুৰুত্ব পোৱাৰ অভিযোগ আনিলে। কিন্তু কেইমাহমান পিছত মন্ত্ৰীসভা সম্প্ৰসাৰণ কৰি জয়ন্তমল্ল বৰুৱাক মন্ত্ৰী কৰা হ'ল যদিও দলৰ বাবে চাৰিটা দশক যুঁজ দিয়া নেতাজন বঞ্চিত হৈয়েই ৰ'ল। বিজেপিৰ বাবে নিজকে সমৰ্পণ কৰা নেতাজনে খং, ক্ষোভ দমন কৰি কাম কৰি গ'ল। আমি কৈ থকা নেতাজন হৈছে ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন। এইগৰাকী প্ৰশান্ত ফুকনে অৱশেষত মন্ত্ৰিত্ব লাভ কৰিছে। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা মন্ত্ৰিত্ব লাভৰ চাৰিজনীয়া তালিকাত আছে প্ৰশান্ত ফুকনৰ নাম। নিস্বাৰ্থ ভাৱেৰে দলৰ বাবে কাম কৰা ফুকন বিজেপিৰ জ্যেষ্ঠ নেতা হৈয়ো ৮ বছৰৰ অন্তত মন্ত্ৰিত্ব লাভ কৰিলে। কিন্তু মন্ত্ৰিত্ব লাভ নকৰিলেও ৰাজহুৱাকৈ কেতিয়াও আক্ষেপ কৰা নাই। দলৰ ক্ষতি হ'ব পৰা কাম কৰা নাই। কিন্তু শেষত যেন সেই সময়কণ আহিল। কমেও ১৫ মাহৰ বাবে মন্ত্ৰী হ'ব প্ৰশান্ত ফুকন। যিটো সময়ত অসমত বিজেপিৰ অস্তিত্ব নাছিল সেই সময়ত বিজেপিৰ পতাকাখন দাঙি ধৰি ৰাখিছিল তেওঁ। গুৱাহাটীত কাৰ্যালয় বুলি বিশেষ একো নাছিল। সেই সময়তে গুৱাহাটীত তেওঁ বিজেপি কৰিছিল। শেহতীয়াকৈ 'ভীমকল' নামৰ এটি পেৰডী গীত গাই ভাইৰেল হোৱা বিধায়ক প্ৰশান্ত ফুকনৰ দীৰ্ঘ প্ৰতীক্ষাৰ অন্ত পৰিল। বছৰ-বছৰ ধৰি আশা পালি থকা খবৰটো লাভ কৰিলে বিধায়ক প্ৰশান্ত ফুকনে। ২০০৬ৰ পৰা ডিব্ৰুগড় বিধানসভা সমষ্টিৰ পৰা বিধায়কৰূপে নিৰ্বাচিত হৈ আহিছে ফুকন। অসমত ২০১৬ চনত আৰু ২০২১ চনত দুবাৰ অসমত বিজেপিৰ চৰকাৰ গঠন হৈছিল। দুটা কাৰ্যকালত কেইবাবাৰো মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ হয়। বাৰে বাৰে মন্ত্ৰীসভাত স্থান পাব বুলি বিধায়ক প্ৰশান্ত ফুকনৰ নাম চৰ্চা হয়। কিন্তু বাৰে বাৰে তালিকাত নাম নোলায় প্ৰশান্ত ফুকনৰ। বিজেপিৰ চৰকাৰটো দূৰৰে কথা সাংগঠনিক ভেটি বুলি একো নথকাৰ সময়ত অসমত সৰৰ ভূমিকা পালন কৰা বিধায়ক ফুকন অৱশেষত মন্ত্ৰী হ'ব। পিঁয়াজৰ মালা পিন্ধি, গৰুগাড়ীত চিলিণ্ডাৰ ওলোমাই প্ৰতিবাদ কৰা বিধায়ক ফুকনে এতিয়া লালবাতিৰ গাড়ীত ছাইৰেন বজাই ঘূৰিব পাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দ্বিতীয়গৰাকী মন্ত্ৰী পালে ডুমডুমাবাসীয়ে

খেলত সদায়েই জয়ী হৈ অহা বিধায়ক ৰূপেশ গোৱালা আজিৰ দিনটোত অসমৰ ৰাজনীতিত সৰ্বাধিক চৰ্চিত ব্যক্তি হিচাপে পৰিগণিত হোৱাই নহয়, অৰ্জন কৰিছে বিশেষ কৃতিত্ব। সেয়া হৈছে প্ৰয়াত দিলেশ্বৰ তাঁতীৰ পিছত ডুমডুমা বিধানসভা সমষ্টিৰ পৰা মন্ত্ৰিত্ব লাভ কৰা দ্বিতীয় গৰাকী বিধায়ক। প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ মন্ত্ৰীসভাত শ্ৰমমন্ত্ৰীৰ দায়িত্ব লাভ কৰা প্ৰয়াত দিলেশ্বৰ তাঁতীৰ পিছত ডুমডুমা বিধানসভা সমষ্টিৰ পৰা মন্ত্ৰীত্ব লাভ কৰা দ্বিতীয়গৰাকী সৌভাগ্যবান বিধায়ক ৰূপেশ গোৱালাই সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই মন্ত্ৰিত্ব লাভ কৰাৰ খবৰে স্বাভাৱিকতে তিনিচুকীয়া জিলাত দলীয় নেতা-কৰ্মীৰ মাজত আনন্দই বিৰাজ কৰিছে বুলিব পাৰি। ২০২১ চনপৰ্যন্ত বিজেপি দলৰ প্ৰাথমিক সদস্য পদো গ্ৰহণ নকৰা ৰূপেশ গোৱালা বিধায়ক হিচাপে যোৱা প্ৰায় চাৰে-তিনি বছৰে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰা বুলিব পাৰি। অৱশ্যে ২০১১ চনতেই এইগৰাকী ৰূপেশ গোৱালাই বিধায়ক হোৱাৰ সুবৰ্ণ লাভ কৰিছিল যদিওঁ চিপৰাং মৰা ৰাজনীতিৰ বলি হোৱা ৰূপেশ গোৱালাৰ সেইবাৰ সেই সৌভাগ্যকণ নহৈছিল। ৩৩ বছৰ বয়সতেই সক্ৰিয় ৰাজনীতিত ভৰি দিয়া ৰূপেশ গোৱালাই সেইবাৰ দ্বিতীয় স্থানতেই সীমাবদ্ধ হ'বলগীয়া হৈছিল কংগ্ৰেছ দলৰ চিপৰাং মৰা ৰাজনীতিৰ বাবে। ২০১১ চনৰ বিধানসভা নিৰ্বাচনত ১২৫ নং ডুমডুমা (সম্প্ৰতি ৮২নং) বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ মনোনীত সদস্য হিচাপে নিৰ্বাচনত অংশগ্ৰহণ কৰা সেইসময়ৰ ৩৩ বছৰীয়া ৰূপেশ গোৱালাই ২৭,০৫৩ টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপি দলৰ প্ৰাৰ্থী দিলীপ মৰাণে লাভ কৰিছিল ৩১,৭০৯ টা ভোট। জয়ৰ ব্যৱধান আছিল ৪,৬৫৬ টা ভোট। সেইবাৰৰ নিৰ্বাচনত সমষ্টিটোৰ শাসকীয় কংগ্ৰেছ দলৰ বিধায়ক দুৰ্গা ভূমিজে দলীয় টিকটৰ পৰা বঞ্চিত হোৱাত নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত অৱতীৰ্ণ হোৱাত কি ঘটিছিল সেয়া সকলোৱে জানে। সমষ্টিটোৰ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজে উক্ত নিৰ্বাচনত ১৬,৯৭১ টা ভোট লাভ কৰি তৃতীয় স্থানতেই সীমাবদ্ধ হৈছিল যদিওঁ ৰূপেশ গোৱালাই হেৰুৱাইছিল বিধায়ক হোৱাৰ সোণালী সুযোগ। ইমানৰ পিছতো ২০১৬ চনৰ নিৰ্বাচনটো ৰূপেশ গোৱালাই টিকট লাভৰ পূৰ্ণ দাবীদাৰ আছিল যদিওঁ মুৰকত গৈ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজেই দলীয় টিকট লাভ কৰিছিল। ২০১৬ চনৰ নিৰ্বাচনত দুৰ্গা ভূমিজে ৪৬,৯৩৮ টাৰে ভোটেৰে নিকটতম প্ৰতিদ্বন্দী বিজেপিৰ দিলীপ মৰাণক মাত্ৰ ৭৮২ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি দ্বিতীয় বাৰৰ বাবে ডুমডুমা সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। এইখিনিলৈকে সকলো ঠিকে ঠাকে আছিল যদিওঁ ২০২১ চনৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত হে নঘটিবলগীয়া ঘটনা ঘটে। যোৱাবাৰৰ নিৰ্বাচনত ডুমডুমা বিধানসভা সমষ্টিৰ পৰা জিলা বিজেপিৰ সভাপতি লক্ষেশ্বৰ মৰাণ টিকটৰ পূৰ্ণ দাবীদাৰ হিচাপে পৰিগণিত হোৱাৰ সত্ত্বেও অসমৰ ৰাজনীতিত চাণক্য হিচাপে পৰিচিত ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰভাৱত ৰাতিটোৰ ভিতৰতেই বিজেপি দলত যোগদান কৰি দলীয় টিকট লাভ কৰা যুৱ তথা জনপ্ৰিয় নেতা ৰূপেশ গোৱালাই সলনি কৰি দিছিল সকলো সমীকৰণ। ৰূপেশ গোৱালাই যোৱা ২০২১ ৰ নিৰ্বাচনত সৰ্বমুঠ ৪৯,১১৯ টা ভোট লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে প্ৰাক্তন কংগ্ৰেছী বিধায়ক দুৰ্গা ভূমিজে লাভ কৰিছিল ৪০,৯৮১ টা বহুত। জয়ৰ ব্যৱধান আছিল ৮,১৩৮ টা ভোট। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে টিকট বঞ্চিত বিজেপিৰ জিলা সভাপতি লক্ষেশ্বৰ মৰাণে বিজেপিৰ ভোট বেংকত খহনীয়াৰ সৃষ্টি কৰি নিৰ্বাচনী সমীকৰণটোকে ওলট-পালট কৰি দিয়াৰ পূৰ্ণ আশংকা কৰা হৈছিল যদিওঁ কাৰ্যত সেয়া হৈ নুঠিল। লক্ষেশ্বৰ মৰাণে ১৫,৩১২ টা ভোট লাভ কৰি তৃতীয় স্থানতেই থাকিবলগীয়া হৈছিল। ফলত প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে অসম বিধানসভালৈ নিৰ্বাচিত হোৱা যুৱ নেতা ৰূপেশ গোৱালাই বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছৰে পৰাই বিশেষ চৰ্চিত হৈ আহিছে। মুখ্যমন্ত্ৰীৰ গুডবুকত প্ৰথমৰ পৰাই নিজৰ নাম খোদিত কৰা যুৱ বিধায়ক ৰূপেশ গোৱালাই বিধায়ক ৰূপে জয়ী হোৱাৰ দিনাই মন্ত্ৰিত্ব লাভ কৰিব বুলি সকলোৱে ভাবিছিল যদিও আজিৰ সেই বিশেষ দিনটো অহাত স্বাভাৱিকতেই বিধায়কগৰাকীৰ লগতে দলীয় নেতা-কৰ্মী সকলোৱে আনন্দত আত্মহাৰা হৈ পৰিছে। এইক্ষেত্ৰত বিভিন্ন জনে বিধায়কগৰাকীক যাচিছে শুভ কামনা আৰু অভিনন্দন। উল্লেখ্য যে, বিধায়ক ৰূপে নিৰ্বাচিত হৈয়ে এইগৰাকী যুৱ বিধায়ক ৰূপেশ গোৱালাই সমষ্টি ভিত্তিত "বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষা" নামেৰে এক বিশেষ পৰীক্ষা অনুষ্ঠিত কৰি বিশেষভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছে। ভদ্ৰ আৰু মাৰ্জিত আচৰণৰ বাবেও বিশেষ জনপ্ৰিয়তা থকা যুৱ বিধায়ক ৰূপেশ গোৱালাৰ মন্ত্ৰীত্ব লাভৰ বিষয়টোৱে অসমৰ ৰাজনীতিত অনাগত দিনত এক আশাৰ দিগন্তৰ সূচনা কৰিছে যদিওঁ যুৱ বিধায়কগৰাকীৰ পৰা সমষ্টিবাসীয়ে বহু কিছু আশা কৰিছে। অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা ১২৫ নং ( সম্প্ৰতি ৮২ নং) ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, মন্ত্ৰী তথা শ্ৰমিক নেতা প্ৰয়াত দিলেশ্বৰ তাঁতীৰ দেহাৱসানৰ পিছত অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক হিচাপেও দায়িত্বত অধিষ্ঠিত ৰূপেশ গোৱালাই এইক্ষেত্ৰত সমষ্টিবাসীৰ আশা-আকাংক্ষাক কিমানন দূৰ বাস্তৱায়িত ৰূপ দিবলৈ সক্ষম হয় আৰু মন্ত্ৰী হিচাপে অনাহত দিনত নিজকে কিদৰে প্ৰতিষ্ঠা কৰে, সেয়া লক্ষণীয় হ'ব!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাংসৰ সন্ধানত মহানগৰীত অভিযান

হোটেলসমূহৰ স্বত্বাধিকাৰীসকলৰ হাহাকাৰ লাগিছে। গোমাংস কটা ব্যৱসায়ী, হোটেলৰ মালিকসকলে হঠাতে দোকানত গোমাংস বিক্ৰী বন্ধ কৰিবলগীয়া হোৱাত হাহাকাৰ কৰিবলগীয়া হৈছে। কেবিনিটে লোৱা সিদ্ধান্তৰ পিছতে সক্ৰিয় হৈছে গুৱাহাটী পৌৰ নিগম। গুৱাহাটী পৌৰ নিগমে আজিৰে পৰা আৰম্ভ কৰিছে অভিযান। আজি গুৱাহাটীত অভিযান চলাই কেবিনেট সিদ্ধান্ত লোৱাৰ পিছতে ৰন্ধা গোমাংস বিক্ৰী কৰি থকা হোটেলত তলা ওলোমাই দিয়ে গুৱাহাটী পৌৰ নিগমে। জানিব পৰা মতে, আজি দুপৰীয়া মহানগৰীৰ জালুকবাৰীত আৰক্ষীৰ দল লৈ পৌৰ নিগমে অভিযান চলাই দুখনকৈ হোটেলত তলা ওলোমাই দিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে ৰাজ্যৰ ৰাজহুৱা স্থানত গোমাংস কটা, বিক্ৰী নিষেধ কৰাৰ সিদ্ধান্ত লোৱাৰ পাছতে গুৱাহাটীত সক্ৰিয় হৈছে গুৱাহাটী পৌৰ নিগম। জালুকবাৰীত দুখন হোটেলত গোমাংস বিক্ৰী কৰি থকাৰ অভিযোগত দুখনকৈ দোকনত তলা ওলোমাই দিয়ে গুৱাহাটী পৌৰ নিগমে। হোটেল মোগল দৰবাৰ আৰু মা ফাতেমা হোটেলত তলা ওলোমাই দিয়ে। গুৱাহাটীত গোমাংস বিক্ৰী কৰি থকা অৱস্থাতে ধৰা দোকানত অভিযান চলোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গুৱাহাটী পৌৰ নিগমে কাইলৈৰ পৰা নিৰ্দেশ অমান্য কৰি গোমাংস বিক্ৰী কৰা অন্যান্য প্ৰতিষ্ঠানটো অভিযান চলাব বুলি জানিব পৰা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## দুদিনীয়া নগাঁও ভ্ৰমণৰ সামৰণি, দ্বিতীয় দিনাও আমোলা-বিষয়াৰে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ

# বড়মপুৰৰ শংকৰ মিছন অন্ধ বিদ্যালয় পৰিদৰ্শন ৰাজ্যপাল আচাৰ্যৰ



**ই-সংবাদ, পুৰণিগুদাম, ৫ ডিচেম্বৰঃ** দুদিনীয়া কাৰ্যসূচীৰে নগাঁও জিলাত উপস্থিত হোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত প্ৰথমে বড়মপুৰ সমষ্টিৰ অন্তৰ্গত ভেৰভেৰী গাঁওস্থিত মহামৃত্যুঞ্জয় মন্দিৰ দৰ্শন কৰি আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পিছতে ৰাজ্যপালগৰাকীয়ে ১৯৫৫ চনতে স্থাপিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন অন্ধ বিদ্যালয় বড়মপুৰৰ শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি, শংকৰ মিছনৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজৰ লগত মত-বিনিময় কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই অনুষ্ঠানত প্ৰাৰ্থনা, গীত পৰিৱেশন কৰাৰ লগতে ৰাজ্যপালগৰাকীক উদ্দেশ্যি সুন্দৰ বক্তব্য প্ৰদান কৰে। ৰাজ্যপালগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ গীত-মাত আদিত আপ্লুত হৈ তেওঁৰ ভাষণত কয় যে, এই দিব্যাংগ শিশুসকল আমাৰ সমাজৰ এক অবিচ্ছেদ্য অংগ। তেওঁলোকৰ দিব্য অন্তৰ্দৃষ্টিৰে আমাৰ সমাজখন জিলিকাই ৰাখিছে আৰু আমি সকলোৱে তেওঁলোকক আমাৰ পৰিয়ালৰ এজন বুলি স্নেহ আৰু জ্ঞান কৰিব লাগে আৰু এই দিব্যাংগসকলক সমমৰ্যাদা আৰু সমবিকাশত আগভাগ ল'বলৈ উপস্থিত সকলোৰে প্ৰতি আহ্বান জনায়। অনুষ্ঠানতে ৰাজ্যপালগৰাকীয়ে কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰ মাজত তেওঁলোকৰ ব্যৱহাৰৰ কেইপদমান সামগ্ৰী বিতৰণ কৰে। আজিৰ এই অনুষ্ঠানত বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, শংকৰ মিছনৰ সভাপতি প্ৰেমেশ্বৰ দাস, সম্পাদক মুনিন্দ্ৰ শইকীয়া, বড়মপুৰ অন্ধ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গিৰিশ কলিতা আৰু প্ৰধান শিক্ষয়িত্ৰী গুণ বৰাৰ লগতে বিভিন্ন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে আজি গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত উপস্থিত হৈ আশীষ গ্ৰহণ কৰে আৰু নিৰ্মীয়মান বটদ্ৰৱা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি ইয়াৰ কামৰ অগ্ৰগতিৰ বুজ লয়। লগতে ৰাজ্যপালগৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগত এক পৰ্যালোচনা বৈঠকত মিলিত হয়। নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আঁত ধৰা বৈঠকখনত দৃশ্য-শ্ৰব্য মাধ্যমৰ জৰিয়তে জিলাখনত বিভিন্ন বিভাগে ৰূপায়িত কৰি থকা চৰকাৰী আঁচনিসমূহৰ খতিয়ান দাঙি ধৰে। বৈঠকত ৰাজ্যপালগৰাকীয়ে জিলাখনত শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়সমূহত সঘনাই নিৰীক্ষণ আৰু পৰিদৰ্শন কৰিবলৈ আৰু অনাথ, দৰিদ্ৰ, বিদ্যালয় আধাতে এৰা আৰু কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত অধিক অগ্ৰাধিকাৰ দিবলৈ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকক আহ্বান জনায়। জিলাখনত ৰূপায়ণ হৈ থকা এমজিএনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা(গ্ৰামীণ), অমৃত সৰোবৰ আদি আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীক তীক্ষ্ণ দৃষ্টি ৰাখি সঘনাই নিৰীক্ষণ কৰিবলৈ ৰাজ্যপালগৰাকীয়ে আহ্বান জনায়। ৰাজ্যপালগৰাকীয়ে সভাত উপস্থিত জিলাখনৰ মুৰব্বী বিষয়াসকলক জনতাৰ সেৱক হিচাপে জনসাধাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা সকলো জনমুখী আঁচনি যাতে যোগ্য হিতাধিকাৰীসকলে লাভ কৰে তাৰ ওপৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আৰু জিলাখনক উন্নতিৰ শিখৰলৈ আগুৱাই নিবলৈ আন্তৰিকতাৰে আহ্বান জনায়। আজিৰ এই বৈঠকত অসম চৰকাৰৰ পৰিবহণ, মীন, আৱকাৰী, তথ্য প্ৰযুক্তি আদিৰ মন্ত্ৰী কেশৱ মহন্ত, নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিবেক শ্যাম, কলিয়াবৰ সমজিলাৰ আয়ুক্ত লিজা তালুকদাৰ, ৰহা সমজিলাৰ আয়ুক্ত ফিলিছ ভিএলএইছ হুংচাল, জিলাৰ অতিৰিক্ত আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল আৰু জিলাৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# এপিএচচিত উজলিল শিৱসাগৰৰ সামীপ্য মহন্ত

**ই-সংবাদ, শিৱসাগৰ, ৫ ডিচেম্বৰঃ** আজি ঘোষণা কৰা অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উজলিল শিৱসাগৰৰ সামীপ্য মহন্ত। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট নিবন্ধকাৰ ড° সৌমাৰজ্যোতি মহন্ত আৰু মানসী মহন্তৰ সুসন্তান সামীপ্য মহন্ত। সামীপ্য মহন্তই ৪২ নং স্থান দখল কৰি শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। আসাম একাউন্ট চাৰ্ভিছৰ সহকাৰী গাণনিক বিষয়া হিচাপে যোগদান কৰিবলগীয়া সামীপ্য মহন্তৰ সফলতাত উৎফুল্লিত হৈ পৰিছে পিতৃ-মাতৃৰ লগতে আত্মীয়-স্বজন, স্থানীয় ৰাইজ। দিল্লী বিশ্ববিদ্যালয়ৰ স্নাতক আৰু দিল্লীৰ



জামিয়ামিলিয়া বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মেধাৱী সামীপ্য মহন্তই খেল জগততো বিভিন্ন সময়ত দক্ষতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। সুদক্ষ টেনিছ খেলুৱৈ হিচাপে পৰিচিত সামীপ্য মহন্তই বিগত সময়ছোৱাত অসম দলকো প্ৰতিনিধিত্ব কৰিছিল। সৰুৰে পৰা মেধাৰ পৰিচয় দিয়া সামীপ্য মহন্ত অসমৰ ভিতৰতে সুনাম থকা এক সংস্কাৰী, সংস্কৃতিৱান পৰিয়ালত ডাঙৰ হোৱা। সামীপ্য মহন্ত বিশিষ্ট লেখিকা ড° নিৰুপমা মহন্তৰ নাতি তথা অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, বিশিষ্ট শিক্ষাবিদ ড° ননীগোপাল মহন্তৰ ভতিজাক। বৰ্তমান শিৱসাগৰ চহৰৰ গণকপটিৰ নিবাসী সামীপ্য মহন্তৰ সাফল্যত উৎফুল্লিত হৈ পৰিছে তেওঁৰ কোঁৱৰপুৰৰ গাঁৱৰ ঘৰখনো।

# ঢালিগাঁৱত অসম বিদ্যুৎ নিয়মাক আয়োগৰ অধ্যক্ষ কুমাৰ সঞ্জয় কৃষ্ণ

ই-সংবাদ, বঙাইগাঁও, ৫ ডিচেম্বৰঃ অসম বিদ্যুৎ নিয়মাক আয়োগ (এ ই আৰ চি)ৰ অধ্যক্ষ কুমাৰ সঞ্জয় কৃষ্ণই বৃহস্পতিবাৰে চিৰাং জিলাৰ ঢালিগাঁৱত উপস্থিত হৈ ঢালিগাঁৱত নতুনকৈ নিৰ্মাণ কৰিবলগীয়া অসম বিদ্যুৎ সংবহন নিগম লিমিটেড(এ ই জি চি এল) ৰ বিষয়া-কৰ্মচাৰীৰ চৰকাৰী বাসভৱনৰ আধাৰশিলা স্থাপন কৰে। একেদৰে তেওঁ ইয়াৰ পৰাই যোৰহাটৰ গড়মূৰ আৰু তেজপুৰৰ ডিপোটাত নিৰ্মাণ কৰিবলগীয়া অসম বিদ্যুৎ সংবহন নিগম লিমিটেড(এ ই জি চি এল)ৰ বিষয়া-কৰ্মচাৰীৰ চৰকাৰী বাসভৱনবোৰ ভাৰ্চুৱেলী আধাৰশিলা স্থাপন কৰে। বিদ্যুৎ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে অত্যাৱশ্যকীয় সেৱাৰ কৰ্মী হিচাপে দিনে-নিশাই কাম কৰিবলগীয়া হয়। গতিকে কাৰ্যালয়ৰ ওচৰতে চৰকাৰী বাসভৱন থাকিলে তেঁওলোকৰ কৰ্তব্য কৰি অহা-যোৱা কৰিবলৈ সুবিধাজনক হয় আৰু সেই চিন্তা কৰিয়েই বিভাগীয়ভাৱে কৰ্মচাৰীসকলক চৰকাৰী বাসভৱনৰ সুবিধা প্ৰদানৰ উদ্দেশ্যই বাসভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। বাসভৱনসমূহ তিনিমহলীয়া হ'ব। ইপিনে, আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত অসম বিদ্যুৎ নিয়মাক আয়োগৰ অধ্যক্ষ কুমাৰ সঞ্জয় কৃষ্ণই কয় যে বিদ্যুৎ সেৱা এটা অত্যাৱশ্যকীয় সেৱা হিচাপে বিষয়া-কৰ্মচাৰীৰ বাবে চৰকাৰী বাসভৱন নিতান্তই প্ৰয়োজন। বৰ্তমান বিদ্যুৎ যোগান পৰ্য্যাপ্ত হৈছে। গতিকে সাধাৰণ জনতাৰ বাবে সুবিধাজনক হৈছে। ঢালিগাঁৱৰ দৰে গড়মূৰ আৰু ডিপোটাতো একেই মানসম্পন্ন চৰকাৰী বাসভৱন বনোৱা হ'ব। সভাত অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ পৰিচালন সঞ্চালক দেৱজ্যোতি দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত অসম বিদ্যুৎ নিয়মাক আয়োগৰ মিডিয়া উপদেষ্টা ৰাজীৱ প্ৰকাশ বৰুৱা, মুখ্য মহাপ্ৰবন্ধকদ্বয় পলাশজ্যোতি মহন্ত আৰু বলোবন্ত বসুমতাৰী, সহকাৰী মহাপ্ৰবন্ধক সুব্ৰত বিশ্বাসৰ লগতে ঢালিগাঁওস্থিত অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সভাৰ শেষত বলোবন্ত বসুমতাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।




ভুটানৰ ৰজাৰ সৈতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, ফটো বৃহস্পতিবাৰৰ

## বটদ্ৰৱা থানত মূৰ দোৱাই বিচাৰিলে গুৰুজনাৰ আশীষ

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মভূমিত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য

**ই-সংবাদ, বেবেজীয়া, ৫ ডিচেম্বৰঃ** দুদিনীয়া ভ্ৰমণসূচীৰে নগাঁও জিলাত উপস্থিত হোৱা অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য বৃহস্পতিবাৰে বিয়লি দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ জন্মভূমিৰ বটদ্ৰৱা থানত উপস্থিত হয়। পোন প্ৰথমবাৰৰ বাবে বটদ্ৰৱা থানত উপস্থিত হৈ ৰাজ্যপালগৰাকীয়ে কীৰ্তন ঘৰত সেৱা গ্ৰহণ কৰি ভকত-বৈষ্ণৱৰ আশীৰ্বাদ লয়। অসমীয়া জাতীয় সাজ পৰিধান কৰি উপস্থিত হোৱা ৰাজ্যপালগৰাকীয়ে বটদ্ৰৱা থানৰ আধ্যাত্মিক, নৈসৰ্গিক পৰিৱেশ, ভকতৰ নাম-কীৰ্তন দৰ্শন কৰি অভিভূত হৈ পৰে। বটদ্ৰৱা থান দৰ্শন কৰি সাংবাদিকৰ আগত নিজৰ অনুভৱ ব্যক্ত কৰি ৰাজ্যপাল গৰাকীয়ে কয় যে গুৰু শংকৰ আমাৰ পৰম কৃপালু গুৰু। পঞ্চদশ শতিকাতে গুৰু শংকৰে সমগ্ৰ ভাৰতবৰ্ষত ভক্তিৰ আন্দোলন গঢ়ি তুলিছিল। য'ত নিহিত আছিল একাত্ম মানৱতাবাদী আধ্যাত্মিক দৰ্শন। গুৰুজনাই ভাৰতীয় মহাজীৱনত ঐক্য-সংহতিৰ বান্ধোন কটকটীয়া কৰিছিল। গুৰু শংকৰে আমাক মানৱতাৰ আদৰ্শ দেখুৱাই থৈ গৈছে। অসম তথা উত্তৰ-পূব ভাৰতক জগত সভাত জিলিকাই তুলিছিল গুৰু শংকৰে। গুৰু শংকৰৰ শ্ৰীচৰণত মই ভক্তিৰে প্ৰণাম নিবেদন কৰিছো বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে বটদ্ৰৱা দৰ্শন কৰি মই আপ্লুত হৈছো। শংকৰ আছিল ভাৰতীয় মহাজীৱনৰ অৱতাৰী পুৰুষ। সূৰ্যৰ দৰে জ্যোতিষ্মান আছিল আমাৰ গুৰু শংকৰ। মই আজি নিজকে ধন্য মানিছো। আজি শংকৰ গুৰুৰ চৰণত সেৱা নিবেদিছো আৰু আশীৰ্বাদ বিচাৰিছো। অসম ৰাজ্যৰ যাতে সেৱা কৰিব পাৰো, ৰাজ্যৰ সুখ, শান্তি আৰু সমৃদ্ধিৰ বাবে মই প্ৰাৰ্থনা জনাইছো। 'কৃষ্ণ শংকৰ গুৰু হৰি ৰাম ৰাম' আৰু 'ধন্য ধন্য ভাৰত বৰিষে' বুলি স্মৰণ কৰি ৰাজ্যপালগৰাকীয়ে গুৰুজনাৰ জন্মস্থান হিচাপে বটদ্ৰৱা পুণ্যধাম সৰ্বকালৰ বাবে বন্দিত বুলিও মন্তব্য কৰে। ইফালে, বটদ্ৰৱা থানৰ কাৰ্যালয়ত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তৰফৰ পৰা শৰাই, ধৰ্মবস্ত্ৰ আৰু কুঁহিলাৰ কঠেৰে ৰাজ্যপালগৰাকীক আদৰণি জনোৱা হয়। এই মৰ্মে, পৰিচালনা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য কল্যাণ কলিতাই আঁত ধৰা অনুষ্ঠানত পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, কাৰ্যকৰী সভাপতি প্ৰভাত কলিতা, উপ-সভাপতি অম্লানজ্যোতি দেৱ গোস্বামী, কোষাধ্যক্ষ তপন কুমাৰ দাস, কাৰ্যনিৰ্বাহক সদস্য লক্ষী বৰা, বাবুল হাজৰিকা, হিৰণ নাথ, ৰবি শইকীয়া, উপেন বায়ন, হিমেশ্বৰ দাস, মুকুল শইকীয়া, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, জিলা আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা, সমাজকৰ্মী গুণমণি কলিতা, সাংবাদিক কন্দৰ্প কুমাৰ কলিতা, অমৰজ্যোতি কলিতা, জগন্নাথ কলিতা, হৰেন্দ্ৰ বনিকৰ লগতে বহুসংখ্যক ভকত-বৈষ্ণৱ উপস্থিত থাকে। উক্ত অনুষ্ঠানতে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তৰফৰ পৰা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক ঐতিহাসিক শান্তিজান জলপৃষ্ঠৰ আৱৰ্জনা নিষ্কাষণ আৰু শান্তিজানৰ বেদখল মুক্ত কৰা সন্দৰ্ভত এখনি স্মাৰক পত্ৰ প্ৰদান কৰা হয়। থান দৰ্শনৰ পিছতে ৰাজ্যপালগৰাকীয়ে আকাশীগংগাৰ তীৰত ২০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হৈ থকা বটদ্ৰৱা প্ৰকল্পও পৰিদৰ্শন কৰে।



সোৱেঁ-বাঁৱে একনাথ, অজিত! কাষত দেৱেন্দ্ৰক লৈ মহাৰাষ্ট্ৰত নতুন চৰকাৰৰ শপত গ্ৰহণত প্ৰধানমন্ত্ৰী

# বঙাইগাঁৱত ১৪ডিচেম্বৰত লোক আদালত

**ই-সংবাদ, বঙাইগাঁও, ৫ ডিচেম্বৰঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশ মতে অসমৰ বাকী জিলাৰ লগতে বঙাইগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগতো অহা ১৪ ডিচেম্বৰত বঙাইগাঁও জিলা আৰু অভয়াপুৰী মহকুমা- এই দুই ন্যায়ালয় চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। উক্ত লোক আদালতত বিশেষ কিছুমান গোচৰ বা মামলা নিষ্পত্তিৰ পদক্ষেপ লোৱা হ'ব। সেইবিলাক হ'ল মীমাংসা হ'ব পৰা ফৌজদাৰী মামলা বা মোকৰ্দমা, মটৰ-দুৰ্ঘটনাৰ ক্ষতিপূৰণ সম্বন্ধীয় মামলা বা মোকৰ্দমা (MACT), দেৱানী মোকৰ্দমা, বিভিন্ন বেংকৰ ঋণ আদায় সম্বন্ধীয় মামলা, বিজুলী বিল আদায় সম্বন্ধীয় মামলা আৰু ভাৰত সংচাৰ নিগম লিমিটেডৰ ফোনৰ বিল আদায় সম্বন্ধীয় মামলা। সেয়ে বঙাইগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ পৰা ৰাইজক আহ্বান জনোৱা হৈছে যে যদি তেওঁলোকে ইতিমধ্যে ১৪ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া আদালতৰ চমন বা জাননী পাইছে, তেন্তে অহা ১৪ ডিচেম্বৰৰ ৰাষ্ট্ৰীয় লোক আদালতত সো-শৰীৰে অংশগ্ৰহণ কৰি নিজৰ গোচৰ সোনকালে আৰু বিনামূলীয়াভাৱে নিষ্পত্তিৰ সুযোগ ল'ব পাৰিব। সেইদৰে ফোন আৰু ই-মেইল যোগেও যোগাযোগ কৰিবও পাৰিব। যোগাযোগৰ বাবে বঙাইগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ তৰফৰ পৰা ৬৯০১২৮১৬২১ ম'বাইল নম্বৰ বা dlsabongaigaon@gmail.com দিয়া হৈছে।

# ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত স্বাস্থ্য সেৱা উৎসৱ

**ই-সংবাদ, ৰঙিয়া, ৫ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে চৰকাৰী খণ্ডৰ চিকিৎসালয়সমূহৰ মান উন্নত কৰাৰ লক্ষ্যৰে মঙলবাৰৰ পৰা অনুষ্ঠিত কৰা স্বাস্থ্য সেৱা উৎসৱ ৩.০ ৰ আজি সামৰণি পৰে। উক্ত কাৰ্যসূচীৰ আধাৰত ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়তো অনুষ্ঠিত কৰা হয় স্বাস্থ্য সেৱা উৎসৱ ৩.০। উক্ত কাৰ্যসূচীত পৰ্যবেক্ষক ৰূপে উপস্থিত থাকে আই পি এছ বিষয়া অখিলেশ কুমাৰ সিংহৰ লগতে ৰঙিয়া সমজিলা সহকাৰী আয়ুক্ত ৰাহিদুজ জামান আৰু ৰঙিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কনিষ্ঠ অভিযন্তা চন্দাস্মিতা ডেকা আৰু মাইক্ৰ'বায়লেজি বিষয়ৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ প্ৰাঞ্জল দলৈ। কাৰ্যসূচীত অংশগ্ৰহণৰ পূৰ্বে পৰ্যবেক্ষককেইগৰাকীক চিকিৎসালয় কৰ্তৃপক্ষৰ হৈ আদৰণি জনায় উপ-অধীক্ষক ডাঃ দিলীপ কুমাৰ বৈশ্যই। ইয়াৰ পিছতে পৰ্যবেক্ষকবৃন্দই চিকিৎসালয় চৌহদত গছপুলি ৰোপণ কৰে। আনহাতে, চিকিৎসালয়খনৰ চিকিৎসক তথা কৰ্মচাৰীবৃন্দই সমূহীয়াভাৱে পৰিৱেশন কৰা সমবেত সংগীত, নৃত্য আদি সাংস্কৃতিক অনুষ্ঠানৰে মুখৰিত হৈ পৰে চিকিৎসালয় চৌহদ। ইফালে, পৰ্যবেক্ষকবৃন্দই চিকিৎসা ব্যৱস্থাকে ধৰি সকলো দিশ পৰ্যবেক্ষণ কৰি সুবিধা-অসুবিধাৰ নিৰীক্ষণ কৰাৰ লগতে সমবেত ৰোগী তথা আত্মীয়সকলৰ সৈতেও মত বিনিময় কৰে। পৰ্যবেক্ষণ কালত দলটোক মহকুমা স্বাস্থ্য বিষয়া ডাঃ নীলমণি কলিতা, ডাঃ পদ্মেশ্বৰ কলিতা, বি এ এম টিকেন্দ্ৰজিৎ ডেকা, বি পি চি এছৰ বি এ এম শান্তনু কুমাৰ বৈশ্য প্ৰমুখ্যে বিষয়াবৰ্গই সংগ দিয়ে। ডাঃ ত্ৰৈলোক্য নাথ আৰু স্বাস্থ্য কৰ্মী অমূল্য বৈশ্যৰ সামগ্ৰিক ব্যৱস্থাপনাত চিকিৎসালয়খনৰ চিকিৎসক ক্ৰমে ডাঃ গৌৰাংগ মেধি, ডাঃ তিলক কুমাৰ, ডাঃ তাহেৰ মজুমদাৰ, ডাঃঅ শোক কলিতা, ডাঃ কুলদ্বীপ ঠাকুৰীয়া, ডাঃ জয়ন্ত শৰ্মা, ডাঃ পিকুলী হাজৰিকা, ডাঃ পাপৰি দাস, ডাঃ নীলঞ্জনা দীপক দাসৰ লগতে নাৰ্ছ, কৰ্মচাৰী বৃন্দই সহযোগিতা আগবঢ়ায়। সেৱা উৎসৱৰ সফল কৰাত শলাগ লয় ডাঃ দিলীপ কুমাৰ বৈশ্যই।




ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয় পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰিকাৰ

## গো-মাংস ভৰ্তি বাহনৰ পৰা কমিছন সংগ্ৰহ কৰে পৰ্টেল সাংবাদিক, নেতাই

# গোলকগঞ্জৰ ৰাষ্ট্ৰীয় ঘাইপথত স্বয়ম্ভূ সাংবাদিক, আক্ৰাছু নেতাৰ সন্ত্ৰাস

**ই-সংবাদ, গোলকগঞ্জ, ৪ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ আৰু আগমনি আৰক্ষী থানাৰ অন্তৰ্গত ৰতিয়াদাহৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত একাংশ প'ৰ্টেল সাংবাদিক আৰু তথাকথিত আক্ৰাছুৰ নেতাই পশ্চিমবংগৰ পৰা অবৈধ সামগ্ৰী লৈ অসমত প্ৰৱেশ কৰা বাহনৰ পৰা ধন দাবী কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। নিতৌ পশ্চিম বংগৰ পৰা অসমত প্ৰৱেশ কৰি ধুবুৰী অভিমুখে যায় ২০-৩০ খনকৈ নিষিদ্ধ গো-মাংস কঢ়িওৱা বাইক আৰু চাৰিচকীয়া বাহন। জানিব পৰা মতে, হালাকুৰা আৰু আগমনি আৰক্ষী থানাৰ ভিতৰৰা পথ ব্যৱহাৰ কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেদি ধুবুৰী অভিমুখে যায় নিষিদ্ধ গো-মাংস ভৰ্তি বাহনসমূহ। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে একাংশ তথাকথিত আক্ৰাছু নেতা আৰু একাংশ স্বয়ম্ভূ প'ৰ্টেল সাংবাদিকে। পুৱাই ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত নিজকে সাংবাদিক আৰু আক্ৰাছু নেতা বুলি পৰিচয় দি নিষিদ্ধ গো-মাংস ভৰ্তি বাহন আটক কৰি মোটা অংকৰ ধন সংগ্ৰহ কৰে। আজিও পুৱা প্ৰায় ৬ বজাত ৰতিয়াদহত হোদল, মনোজ মহিবুল নামৰ যুৱকে নিজকে সাংবাদিক আৰু আক্ৰাছু নেতা বুলি পৰিচয় দি এখন চাৰিচকীয়া গো-মাংস ভৰ্তি বাহন আটক কৰি গোলকগঞ্জ আৰক্ষীক গতাই দিয়াৰ ভাবুকি দি ৫ লাখ টকা দাবী কৰে। দাবী কৰা ধন দিব নোৱাৰাত বাহনত থকা প্ৰায় ৩০০ কেজি গো-মাংস লৈ দলটো উধাও হয়। পিছত নিৰ্দিষ্ট এটা ঘৰত গো-মাংস খিনি ভাগ-বটোৱাৰা কৰি বিক্ৰী কৰে। টকা দাবী কৰা আৰু ভয়-ভাবুকি দিয়া, ভাগ-বটোৱাৰা কৰা সকলো অডিঅ'-ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈ পৰাত সমগ্ৰ অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিন্তু এইক্ষেত্ৰত বাতৰি লিখা পৰলৈকে আৰক্ষীয়ে মৌনতা অৱলম্বন কৰি থকাত অঞ্চলজুৰি ৰহস্যৰ সৃষ্টি হৈছে। অসম চৰকাৰ গো-মাংসক লৈ যিমানেই কঠোৰ হৈছে সিমানেই ধুবুৰীত গো-মাংসৰ ব্যৱসায় ৰমৰমীয়া হৈ পৰিছে। ঘটনাৰ লগত জড়িত থকা যুৱককেইজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি উচিত শাস্তি দিয়াৰ লগতে কোনে কোনে নিষিদ্ধ গো-মাংস সৰবৰাহৰ লগত জড়িত হৈ আছে আটাইকে গ্ৰেপ্তাৰৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা দেৱাশীষ দেউৰীৰ

**ই-সংবাদ, মুছলপুৰ, ৫ ডিচেম্বৰঃ** সদ্য ঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বাক্সা জিলাৰ সদৰ মুছলপুৰ চহৰলৈ গৌৰৱ কঢ়িয়াই আনিছে প্ৰয়াত শিক্ষক জীতেন্দ্ৰ নাথ দেউৰী আৰু মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী পুতুল দেউৰীৰ পুত্ৰ দেৱাশীষ দেউৰীয়ে। শিক্ষা বিভাগৰ ইঞ্চপেক্টিং অ'ডিটৰ পদৰ বিপৰীতে দেৱাশীষ দেউৰীয়ে উত্তীৰ্ণ হোৱাত সমগ্ৰ অঞ্চলটোতে উছাহৰ ধল বয়। ইপিনে, সফলতা লাভৰ পিছত দেৱাশীষ দেউৰীয়ে কয় যে, নিজৰ ওপৰত বিশ্বাস ৰাখিলে ইপ্সিত ফলাফল লাভ কৰিব পাৰি। কষ্ট কৰিলে সফলতা আহিবই বুলি মন্তব্য কৰি নিজে প্লেনিং কৰি আগবাঢ়িলে সফলতা কম সময়ৰ ভিতৰতে লাভ কৰিব পাৰি বুলি মন্তব্য কৰে। একমাত্ৰ পুত্ৰৰ এই ফলাফলত মাতৃ পুতুল দেউৰীয়ে সুখী হোৱা বুলি জানিবলৈ দি অশেষ কষ্ট কৰি দেৱাশীষে সদ্যঘোষিত লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হয় বুলি কয়। চেন্নাইৰ আলাগাপ্পা বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা দেৱাশীষে সৰুৰে পৰা নিজ পাঠ্যপুথিৰ জ্ঞান অৰ্জনৰ লগতে ফুটবল খেলি ভাল পাইছিল। তেওঁৰ এই সফলতাৰ বাবে স্বাভাৱিকতে উৎফুল্লিত হৈ পৰিছে অঞ্চলবাসীৰ লগতে তেওঁৰ আত্মীয় আৰু শুভাকাংক্ষীসকল। দেৱাশীষৰ এই সাফল্যৰ খবৰ লাভ কৰাৰ পিছতে বিভিন্ন ব্যক্তি, দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ বাসগৃহত উপস্থিত হৈ অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে এইগৰাকী দেৱাশীষ দেউৰীয়ে বিগত বৰ্ষৰ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত ৩১৭ সংখ্যক স্থান দখল কৰি সফলতাৰে উত্তীৰ্ণ হৈ বৰ্তমানে সহকাৰী গাণনিক বিষয়াৰূপে তেওঁৰ গৃহ চহৰ মুছলপুৰস্থিত জলসিঞ্চন বিভাগৰ বৰমা-চাপাগুৰি সংমণ্ডলত কাৰ্যনিৰ্বাহ কৰি আছে।

# বনভোজ দললৈ তামুলপুৰ জিলা প্ৰশাসনৰ নিৰ্দেশ

**ই-সংবাদ, তামুলপুৰ, ৫ ডিচেম্বৰঃ** তামুলপুৰ জিলাৰ বিশেষকৈ উত্তৰাঞ্চলত বনৰীয়া হাতীৰ জাক ঘূৰি ফুৰাৰ ফলত হস্তী-মানুহৰ সংঘাত পৰিলক্ষিত হৈছে। ফলত জীৱন আৰু সম্পত্তি হানি হৈছে। উল্লেখ্য যে উক্ত অঞ্চলৰ বহু ঠাই বনভোজ দলৰো আকৰ্ষণৰ কেন্দ্ৰবিন্দু। তাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত তামুলপুৰ জিলাৰ জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে বনভোজ দলসমূহক কেতবোৰ চৰ্ত বান্ধি দিছে। সেই অনুসৰি বনভোজ দলসমূহে পুৱা ৯ বজাৰ আগত বনভোজস্থলীত উপস্থিত হ'ব নোৱাৰিব। তেওঁলোকে আবেলি ৪ বজাৰ আগতে বনভোজস্থলী ত্যাগ কৰিব লাগিব। বনভোজস্থলীত প্লাষ্টিক আৰু ছাউণ্ড ছিষ্টেম কঠোৰভাৱে নিষেধ কৰা হৈছে। নিয়ম উলংঘাকাৰী আইন মতে দণ্ডনীয় হ'ব। পৰৱৰ্তী জাননী নিদিয়ালৈকে এই নিৰ্দেশ বাহাল থাকিব।

# ধুবুৰীৰ নয়াহাট গাঁও পঞ্চায়তত এমজিএনৰেগাৰ কামত লুণ্ঠনৰ অভিযোগ

**ই-সংবাদ, পৰ্বতঝোৰা, ৫ ডিচেম্বৰঃ** যি সময়ত অসম চৰকাৰে দুৰ্নীতিক কঠোৰ হাতেৰে নিৰ্মূল কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে, ঠিক তেনে সময়তে ধুবুৰী জিলাৰ মহামায়া উন্নয়ন খণ্ডৰ অন্তৰ্গত নয়াহাট গাঁও পঞ্চায়তৰ ছোটো গিৰাইৰ পাৰ গাঁৱত অসম চৰকাৰে ৰূপায়ণ কৰা দুটা MGNREGA আঁচনিৰ কৃষি বান্ধ নিৰ্মাণৰ কামত নাম মাত্ৰ কাম কৰি GPC ৰূপী ঠিকাদাৰ ফিৰোজুলে মহামায়া উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীক বৃহৎ অংকৰ বিনিময়ত মেনেজ কৰি আঁচনি দুখনৰ সমুদায় ধন আত্মসাতৰ প্ৰচেষ্টা চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে মহামায়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কেবাটাও বাতৰি সম্প্ৰচাৰ হৈছে যদিও আজি পৰ্যন্ত বিষয়াগৰাকীয়ে কোনো ধৰণৰ পদক্ষেপ হাতত লোৱা পৰিলক্ষিত হোৱা নাই, বৰঞ্চ ওলোটাই কাম কৰা ঠিকাদাৰক দাবী, হুমকি দিয়াৰ অভিযোগ উত্থাপিত হৈছে। অসম চৰকাৰৰ লগতে ধুবুৰী জিলা আয়ুক্ত তথা বিভাগীয় কৰ্তৃপক্ষই মহামায়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া-কৰ্মচাৰী তথা GPC ৰূপী ঠিকাদাৰ ফিৰোজুলৰ বিৰুদ্ধে কি পদক্ষেপ হাতত লয় সেয়া সময়তহে লক্ষণীয় হ'ব।

# পাঁচ সত্ৰ পৰিভ্ৰমণ মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতিৰ

**ই-সংবাদ, গুৱাহাটী, ৫ ডিচেম্বৰঃ** আজি মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ এটি সঁজাতি দলে মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ দ্বাৰা প্ৰতিষ্ঠা কৰা ৫ খনকৈ সত্ৰ পৰিভ্ৰমণ কৰি সত্ৰৰ সত্ৰাধিকাৰ, ভকত-বৈষ্ণৱ, পৰিচালনা সমিতিসমূহৰ সৈতে ভিন ভিন ঠাইত সত্ৰৰ প্ৰতি আহি পৰা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। জীৱন-দৰ্শন অধ্যয়ন সমিতিৰ সভাপতি অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, প্ৰধান সম্পাদক দীপক শৰ্মা, কোষাধ্যক্ষ তাৰিণী কান্ত গোস্বামী, মুখপাত্ৰ শৈলেন তালুকদাৰৰ নেতৃত্বত যোৱা দলটিয়ে আদিতে মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ দ্বাৰা প্ৰতিষ্ঠা কৰা বৰপেটা জিলাৰ নৱগঠিত বৰপেটা বিধানসভা সমষ্টিৰ ঐতিহাসিক আদি সত্ৰ বহৰিত উপস্থিত হয়। দুখৰ বিষয় যে সত্ৰখনে ৰাজ্য চৰকাৰৰ পৰা যিখিনি সুবিধা পাব লাগে আজিকোপতি নোপোৱাত সত্ৰৰ পুৰোধা বিশিষ্ট ব্যক্তিসকলে গভীৰ আক্ষেপ প্ৰকাশ কৰে। ইয়াৰ পিছতে দলটো আনখন বহৰি সত্ৰতো উপস্থিত হয়। ইয়াৰ পিছত ক্ৰমে বহৰি সত্ৰ, শ্ৰীশ্ৰী হৰিপুৰ সত্ৰ, শ্ৰীশ্ৰী পীড়লা সত্ৰ, গণকপাৰা আৰু শুভা সত্ৰ, শুভা (চেঙা)পৰিভ্ৰমণ কৰে। আদি সত্ৰ, বহৰিৰ ভাগৱত অধ্যয়ন সমিতিৰ সভাপতি দেৱেন্দ্ৰনাথ তালুকদাৰ আৰু সম্পাদক লংকেশ্বৰ দাসে কয় যে গুৰুজনাৰ নিজ হাতেৰে প্ৰতিষ্ঠা কৰা সত্ৰখনে চৰকাৰৰ পৰা যিধৰণে সহযোগিতা পাব লাগে, সেইধৰণে পোৱা নাই। প্ৰায় ৬০০ বছৰ পুৰণি সত্ৰখনে যিধৰণৰ মৰ্যাদা পাব লাগিছিল, সেই মৰ্যাদা নোপোৱাটো দুৰ্ভাগ্যজনক। বৰ্তমানৰ চৰকাৰৰ পৰা যথোচিত ধৰণেৰে সত্ৰৰ উন্নয়নৰ সুবিধা পাব বুলি তেওঁ আশা ব্যক্ত কৰে। শ্ৰীশ্ৰী হৰিপুৰ সত্ৰৰ সত্ৰাধিকাৰ দ্বিপেন্দ্ৰ নাথ গোস্বামীয়ে বহু ক্ষোভ-বেদনাৰে কয়- 'সত্ৰৰ ভূমি উদ্ধাৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছে, কিন্তু আমাৰে একাংশ নিজৰ মানুহৰ লেং মৰা নীতি, ৰামায়ণৰ 'বিভীষণ'ৰ দৰে ব্যক্তিৰ বাবে সত্ৰলৈ অমানিশা নামি আহিছে।' শ্ৰীশ্ৰী পীড়লা সত্ৰ, গণকপাৰা পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক মুন শৰ্মাই কয়- 'আমাৰ সত্ৰৰ মাটি ১০১ বিঘা ৯ লেচা। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে আমি কোনোমতে ৫ লেচা মাটিত সাধাৰণভাৱে এটি নামঘৰ সাজি পুৱা-গধূলি চাকি জ্বলাই আছো। আন সম্প্ৰদায়ৰ মানুহে বলপূৰ্বকভাৱে দখল কৰি, ঘৰ সাজি বসতি কৰি আছে।' আইনী মেৰপেচত সত্ৰৰ মাটি উদ্ধাৰ কৰিব পৰা নাই বুলি বহু বিশিষ্ট ব্যক্তিয়ে গুৱাহাটীৰ পৰা যোৱা দলটোক অৱগত কৰে।

# বাঘমাৰাত 'জলজলি প্ৰেছ' ক্লাৱ গঠন

**ই-সংবাদ, শিমলীতোলা, ৫ ডিচেম্বৰঃ** দক্ষিণ বৰপেটাৰ চেঙা সমষ্টিৰ বৃহৎ অঞ্চল বাঘমাৰা চৰ, ভাতনাপাইতি-ধৰ্মপুৰ, কদমতোলা, উজিৰেৰ চৰ, ৰামাপাৰাৰ লগতে পুব গোৱালপাৰাৰ বৰপাথাৰ, হেপচাপাৰা, শিমলীতোলা, সুতাৰপাৰা, বহতী, দলগোমা ইত্যাদি অঞ্চলৰ দৈনন্দিন ঘটি থকা ঘটনা-পৰিঘটনা লগতে বিভিন্ন জ্বলন্ত সমস্যাসমূহ শাসক পক্ষৰ দৃষ্টিগোচৰ কৰাৰ লক্ষ্য আৰু উদ্দেশ্যৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ জগতৰে জড়িত হোৱা একাংশ উদ্যমী যুৱকৰ আহ্বান মৰ্মে আজি বাঘমাৰা চৰত মোঃ ইনামুল হকৰ পৌৰোহিত্যত অনুষ্ঠিত সাধাৰণ সভাত 'জলজলি প্ৰেছ ক্লাৱ' নামেৰে নতুন প্ৰেছ ক্লাৱৰ জন্ম দিয়া হয়। সভাত বিভিন্ন আলোচনাৰ অন্তত 'অসম বাৰ্তা' আৰু 'ই-সংবাদ' দৈনিক বাতৰি কাকতৰ সাংবাদিক মোঃ ইনামুল হকক সভাপতি, প্ৰাতঃ টাইম, ৰেব প'ৰ্টেলৰ সাংবাদিক নুৰজামাল হুছাইনক উপ-সভাপতি, 'ভইচ ২৪ আছাম' ৱেব প'ৰ্টেলৰ সাংবাদিক সাহিনুৰ ৰহমানক আলোচনী সম্পাদক, 'দৈনিক নিউজ' ৱেব প'ৰ্টেলৰ সাংবাদিক সাবান আলীক কাৰ্যালয় সম্পাদক হিচাপে লৈ মুঠ ৭ জনীয়া শক্তিশালী কমিটী বাছনি কৰি দিয়ে। নৱ গঠিত ক্লাৱৰ সভাপতি মোঃ ইনামুল হকে কয় যে ইমান দিনে এজনো স্থানীয় সাংবাদিক নথকা বৃহৎ অঞ্চলৰ আজি দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল, যাৰ বাবে আজিৰ দিনটো স্মৰণীয় হৈ ৰ'ব। তেওঁ ক্লাৱৰ প্ৰতিজন সদস্যক সদায় সত্য পথত থাকি বৃহৎ অঞ্চলটোৰ জ্বলন্ত সমস্যাবোৰ চৰকাৰ তথা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰাকৈ উত্থাপন কৰাৰ আশা ব্যক্ত কৰে।

**উপস্থিত পৰ্যটন বিভাগৰ অতিৰিক্ত সচিব ডাঃ দেৱজিৎ খনিকৰ**

# বঙাইগাঁৱৰ চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়ত স্বাস্থ্য সেৱা উৎসৱ

**ই-সংবাদ, মাণিকপুৰ, ৫ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰে চৰকাৰী স্বাস্থ্যখণ্ডত গুণগত স্বাস্থ্য সেৱা আৰু উন্নতমানৰ আন্তঃগাঁথনিৰ বাবে আৰম্ভ কৰা স্বাস্থ্য সেৱা উৎসৱ-৩ আৰম্ভ কৰিছে। উক্ত উৎসৱৰ লগত সংগতি ৰাখি বঙাইগাঁও জিলাৰ চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয় আজি পৰিদৰ্শনৰ বাবে উপস্থিত হয় ৰাজ্যিক পৰ্যটন বিভাগৰ অতিৰিক্ত যুটীয়া সচিব ডাঃ দেৱজিৎ খনিকৰ, স্বাস্থ্য বিভাগৰ সহকাৰী আয়ুক্ত অণ্টু বৰদলৈ, জিলা স্বাস্থ্য বিভাগৰ মেডিয়া বিশেষজ্ঞ সংগীতা দাস, সমজিলা সহকাৰী আয়ুক্ত আদি। ডাঃ দেৱজিৎ খনিকৰে চিকিৎসালয়ত উপস্থিত হৈ বিভিন্ন কোঠালী, ঔষধপাতি আৰু চিকিৎসালয় চৌহদৰ বাহিৰ ফাল পৰিদৰ্শন কৰে। তেওঁ স্থানীয় ৰাইজৰ লগত আলোচনাত মিলিত হৈ চিকিৎসক, নাৰ্ছক প্ৰশংসা কৰে। চাকলা-কোকিলা ৰাজ্যিক চিকিৎসালয়খনৰ অৱস্থা প্ৰত্যক্ষ কৰি চিকিৎসালয়খনক আদৰ্শ চিকিৎসালয় বুলি মন্তব্য কৰে। ইয়াৰ উপৰি ডুমেৰগুৰী এমপিএইচচি পৰিদৰ্শন কৰে দলটোৱে। আনহাতে, দলটোৱে বঙাইগাঁও জিলাৰ অভয়াপুৰী এছডি, আমগুৰি এমপিএইচচি, কীৰ্তনপাৰা এমপিএইচচি আৰু লেংটিছিঙা চিকিৎসালয়ত অনুষ্ঠিত হ'বলগীয়া স্বাস্থ্য সেৱা উৎসৱ-৩ত উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে।

# নাজিৰাত অ' এন জি চিৰ গাড়ী চালকৰ অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি

**ই-সংবাদ, গেলেকী, ৫ ডিচেম্বৰঃ** নাজিৰাত অ' এন জি চিৰ গাড়ী চালকে কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে বছৰ বছৰ ধৰি থলুৱা চালকসকলে অ' এন জি চি অসম সম্পদৰ অধীনস্থ ঠিকাভিত্তিত লঘু বাহন আদি চলাই অতি নিষ্ঠা সহকাৰে নিজৰ কৰ্তব্য পালন কৰি আহিছে। কিন্তু শেহতীয়াকৈ অ' এন জি চি অসম সম্পদৰ একাংশ বিষয়াৰ থলুৱা বিৰোধী নীতিৰ বাবেই ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে এই চালকসকলক চাটাই কৰি ভাতে মৰাৰ ষড়যন্ত্ৰ আৰম্ভ কৰাৰ অভিযোগ উঠিছে। দীৰ্ঘদিন ধৰি এই চালকসকলক পুনৰ কৰ্মস্থানত মকৰলৰ দাবী জনাই আহিছে যদিও নিগম কৰ্তৃপক্ষ আৰু ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে কোনো গুৰুত্ব আৰোপ কৰা নাই। ৪ ডিচেম্বৰত শিৱসাগৰ জিলা শ্ৰম আয়ুক্ত, নিগমৰ ঠিকাদাৰী প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মটৰ শ্ৰমিক সন্থা (অ' এন জি চি), মটৰ শ্ৰমিক ৱৰ্কাৰ্ছ ইউনিয়ন আৰু চালকসকলৰ মাজত অনুষ্ঠিত হোৱা আলোচনাত সংশ্লিষ্ট কৰ্তৃপক্ষই কোনো সঁহাৰি নজনালে। যাৰ বাবে আজি পুৱা ৫ বজাৰ পৰা অ' এন জি চি অসম সম্পদৰ অধীনস্থ ঠিকাদাৰী চালকসকলৰ তিনিওটা সংগঠনে সমূহীয়াভাৱে অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি পালন কৰিবলৈ বাধ্য হোৱা বুলি শ্ৰমিক-চালকসকলে জানিবলৈ দিছে।

# আৰক্ষী মহাপৰিদৰ্শকৰ উপস্থিতিত দেৱস্থানত আৰক্ষী চকীৰ নতুন গৃহ উদঘাটন

**ই-সংবাদ, মোৰাঝাৰ, ৫ ডিচেম্বৰঃ** অসম আৰক্ষীৰ কেন্দ্ৰীয় ৰেঞ্জৰ মহাপৰিদৰ্শক দেৱজ্যোতি মুখাৰ্জী (আইপিএছ)ৰ উপস্থিতিত হোজাই জিলাৰ কাৰ্বি আংলং জিলাৰ সীমামূৰীয়া দেৱস্থান আৰক্ষী চকীৰ নতুন গৃহৰ শুভ উদ্বোধন কৰা হয়। ১৯৬৪ চনত স্থাপিত দেৱস্থান আৰক্ষী চকীৰ মূল গৃহ জহি খহি যোৱাৰ সময়ত অসম চৰকাৰৰ আঁচনিৰ জৰিয়তে এটি নতুন ঘৰৰ নিৰ্মাণ কৰা হয়। বুধবাৰে অনুষ্ঠিত এখন সভাৰ জৰিয়তে এই নৱনিৰ্মিত গৃহৰ শুভ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে আৰক্ষী মহাপৰিদৰ্শকৰ লগতে জিলা আৰক্ষী অধীক্ষক সৌৰৱ গুপ্তা, অতিৰিক্ত আৰক্ষী অধীক্ষক (আইন শৃংখলা) পল্লৱ তামুলী, আৰক্ষী অধীক্ষক (হেড কোৱাৰ্টাৰ) ৰূপম বৰদলৈ, উপ-আৰক্ষী অধীক্ষক(পি) নিৰ্মালি বৰ্মনসহ জিলা আৰক্ষীৰ বহুকেইগৰাকী শীৰ্ষ বিষয়া। উল্লেখ কৰা প্ৰয়োজন যে দেৱস্থান উপ-আৰক্ষী চকীৰ অধীনত ১১ খন গাঁও থকাৰ লগতে ৮০ হাজাৰ লোকক সামৰি আছে। এই অনুষ্ঠানত উপস্থিত থাকি আৰক্ষী মহাপৰিদৰ্শক দেৱজ্যোতি মুখাৰ্জীয়ে থানাখনৰ এই অৱস্থালৈ উন্নীতকৰণ হোৱা দেখি আপ্লুত হোৱা বুলি উল্লেখ কৰে। লগতে আৰক্ষী আৰু সাধাৰণ ৰাইজৰ মাজৰ সম্পৰ্ক সুদৃঢ়কৰণত গুৰুত্ব আৰোপ কৰে। আৰক্ষী চকীৰ নতুন ভৱনে আৰক্ষীৰ আধুনিকীকৰণত সংলগ্ন সকলো উপকৰণ মজুত থাকিব বুলি আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে উল্লেখ কৰে। দেৱস্থান অঞ্চলত গোচৰৰ সংখ্যা বেছি হয়, সেয়ে আৰক্ষীৰ তদন্ত, অনুসন্ধানৰ ক্ষেত্ৰত এই ভৱনে আৰক্ষীক এটি সুন্দৰ পৰিৱেশ দিব বুলি কয় আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে। অনুষ্ঠানটিত মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক নিখিল চন্দ্ৰ ৰয়, আমছু নেতা মনোৱাৰ হুছেইনসহ স্থানীয় বহুকেইগৰাকী বিশিষ্ট নাগৰিক উপস্থিত থাকে।

# কৃতী শিক্ষক ধৰ্মকান্ত ডেকাৰ সোঁৱৰণি গ্ৰন্থ 'ৰূপান্তৰৰ পথিক' উন্মোচন

**ই-সংবাদ, তামুলপুৰ, ৫ ডিচেম্বৰঃ** পশ্চিম তামুলপুৰ অঞ্চলৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজকৰ্মী ধৰ্মকান্ত ডেকাৰ সোঁৱৰণি গ্ৰন্থ 'ৰূপান্তৰৰ পথিক' আজি উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে তামুলপুৰ শাখা সাহিত্য সভাৰ সভাপতি তথা ৰামেচুবুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উমেশ চন্দ্ৰ দাসে। গ্ৰন্থখন উন্মোচন কৰি ভাষণত উমেশ চন্দ্ৰ দাসে কয় যে ধৰ্মকান্ত ডেকা এই অঞ্চলৰ এগৰাকী অকল কৃতী শিক্ষককেই নহয়, সমাজকৰ্মীও আছিল। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ৰাইজে এগৰাকী অমায়িক, আদৰ্শৱান শিক্ষকক হেৰুৱালে। পশ্চিম তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীপতি বৰাৰ সভাপতিত্বত অনুষ্ঠিত সোঁৱৰণি গ্ৰন্থ উন্মচনী সভাত তামুলপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীয়ে কয় যে ধৰ্মকান্ত ডেকা এগৰাকী দক্ষ, আদৰ্শৱান কৃতী শিক্ষক আছিল। তেখেতৰ মৃত্যু অঞ্চলটোৰ বাবে অপূৰণীয় ক্ষতি। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক কেশৱ চন্দ্ৰ বড়ো, দামোদৰ কলিতা, পশ্চিম তামুলপুৰ অঞ্চলৰ শিক্ষক সমাজ, পশ্চিম তামুলপুৰ শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ১৯৫১ চনৰ ১০ অক্টোবৰত তামুলপুৰ জিলাৰ অন্তৰ্গত তেতেলীগুৰিত জন্মগ্ৰহণ কৰা প্ৰয়াত ধৰ্মকান্ত ডেকাৰ যোৱা ২২ নৱেম্বৰৰ দিনা পৰলোকপ্ৰাপ্তি ঘটে। ৫৮৭ নং তেতেলীগুৰি নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ পাততনি মেলি নলবাৰী কলেজত উচ্চতৰ মাধ্যমিক শাখাত পঢ়িয়েই শিক্ষা জীৱন সাং কৰি ১৯৭৪ চনৰ ৩১ মাৰ্চত গোৱালবিল প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে চাকৰিত যোগদান কৰে। ১৯৮৪ চনৰ ফেব্ৰুৱাৰীত বৰবিলা প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰি সেইখন বিদ্যালয়ৰ পৰা ২০১১ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত ধৰ্মকান্ত ডেকা তেতেলীগুৰি-কালাকুছি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী-মাইনাও পূজাৰ সোণালী জয়ন্তী উৎসৱৰ সম্পাদক, তামুলপুৰ আঞ্চলিক কলা কৃষ্টি সংঘৰ প্ৰতিষ্ঠাপক সভাপতি, পশ্চিম তামুলপুৰ শিক্ষক সমন্বয় সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক, পশ্চিম তামুলপুৰ মধ্য ইংৰাজী বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, তামুলপুৰ ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন সভাপতিৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

# মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ মাতৃ লীলা শৰ্মাৰ পৰলোক

**ই-সংবাদ, মৰিগাঁও, ৫ ডিচেম্বৰঃ** মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ মাতৃ লীলা শৰ্মাৰ আজি বিয়লি প্ৰায় ২ বাজি ৫৫ মিনিটত বাৰ্ধক্যজনিত কাৰণত আয়ুক্তগৰাকীৰ চৰকাৰী বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। দীৰ্ঘদিন ধৰি বাধ্যক্যকে ধৰি একাধিক ৰোগত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি লোৱা সৰবৰহী ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ মৃত্যুত সমগ্ৰ মৰিগাঁও জিলাখনতে গভীৰ শোকৰ ছাঁ পৰে। যোৰহাটত জন্ম গ্ৰহণ কৰা সৰবৰহী মহিলা লীলা শৰ্মাই কিছু বছৰৰ আগতে তেওঁৰ স্বামী প্ৰদীপ কুমাৰ শৰ্মাৰ মৃত্যুৰ পিছত জ্যেষ্ঠ প্ৰশাসনিক বিষয়া তথা মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ চৰকাৰী বাসভৱনতে থাকিবলৈ লয়। শিক্ষকতা, সাংস্কৃতিকে ধৰি বহু বিষয়ত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা অতি সৰল মনৰ মহিলাগৰাকীয়ে সকলো মানুহৰে অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল। ধৰ্মপ্ৰাণ মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত একমাত্ৰ পুত্ৰ তথা মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু একমাত্ৰ জীয়ৰীকে ধৰি বহু সংখ্যক আত্মীয় স্বজন তথা গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ গৈছে। পৰিয়াল সূত্ৰে জানিব পৰা মতে, কাইলৈ মৰিগাঁও নগৰৰ স্থানীয় স্মশানত তেওঁৰ অন্তিম সংস্কাৰ কৰা হ'ব। ইপিনে, সৰবৰহী মহিলাগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পিছতে জিলা আয়ুক্তগৰাকীৰ চৰকাৰী বাসভৱনত চৰকাৰী বিষয়া-কৰ্মচাৰীকে ধৰি অগণন লোকৰ সমাগম হয়। মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে তেওঁৰ পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী বাতিল কৰি আয়ুক্তগৰাকীৰ চৰকাৰী বাসভৱনত উপস্থিত হৈ মৃতকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। অসম চৰকাৰৰ জলসম্পদ তথা জনসংযোগ মন্ত্ৰী পীযুষ হাজৰীকায়ো মহিলাগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ চিৰ শান্তি কামনা কৰে। ইয়াৰ লগতে তেওঁৰ মৃত্যুত মৰিগাঁও আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিকৰ সম্পাদক প্ৰতাপ হাজৰিকা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰচাৰ সমিতিৰ কাৰ্যকৰী সভাপতি তথা জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সম্পাদক জিতুমণি নাথ, সদৌ অসম সাংবাদিক সন্থা(আজু)ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মৃদু কলিতাৰ লগতে মৰিগাঁও জিলা সাহিত্য সভা, মৰিগাঁও সাৰ্বজনীন দুৰ্গা পূজা সমিতি, মৰিগাঁও জিলা প্ৰশাসন কৰ্মচাৰী সন্থাকে ধৰি বিভিন্ন দল-সংগঠন-ব্যক্তিয়ে মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

# মাধ্যমিক শিক্ষা সঞ্চালক কাৰ্যালয়ৰ চৰম গাফিলতিত ২০ বছৰে প্ৰাপ্য বকেয়া বিচাৰি হাবাথুৰি খাইছে অৱসৰপ্ৰাপ্ত শিক্ষকে

**ই-সংবাদ, শিৱসাগৰ, ৫ ডিচেম্বৰঃ** আজীৱন শিক্ষা প্ৰদান সেৱাত ব্ৰতী থকা একাংশ শিক্ষক এতিয়া অৱসৰৰ পাছতো নিজ প্ৰাপ্য বিচাৰি হাবাথুৰি খাব লগা হৈছে। অসম চৰকাৰৰ শিক্ষা বিভাগৰ চৰম গাফিলতিৰ বাবেই একাংশ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুৱে ৮০ বছৰ বয়সতো শিক্ষা বিভাগৰ কাৰ্যালয়ে কাৰ্যালয়ে গৈয়ো লাভ কৰা নাই প্ৰাপ্য বকেয়া। ১-১-১৯৯৬ৰ পৰা ১৩-১২-২০০৩ লৈ চৰকাৰে কৰা দৰমহা সংশোধন(পে ৰিভাইজড)ৰ বকেয়াৰ লগতে দৈনিক ভাট্টাৰ বকেয়া অৱসৰপ্ৰাপ্ত শিক্ষকসকলে লাভ কৰাৰ পৰা বঞ্চিত হৈ আছে। বিদ্যালয়সমূহৰ তৰফৰ পৰা এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকালয়লৈ বহুবাৰ যোগাযোগ কৰা হৈছে যদিও বিভাগৰ তৰফৰ পৰা লাভ কৰা নাই কোনো সঁহাৰি। বিশেষকৈ শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ উপৰত উল্লেখ কৰা সময়ছোৱাৰ প্ৰাপ্য ধনৰ পৰা বঞ্চিত হৈ আছে ছয়গৰাকী শিক্ষক। ধৰ্মেশ্বৰ মহন্ত, ধীৰেন্দ্ৰ নাথ ভূঞা, নিৰু দেৱী, প্ৰণতি শৰ্মা, চন্দ্ৰ কুমাৰ বৰা, দেওকণ হাজৰিকা, জয়ৰাম নাথকে ধৰি কেইবাগৰাকী শিক্ষকৰ বঞ্চিত প্ৰাপ্যক লৈ শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মঞ্জু চেতিয়াই বিগত বছৰতে শিক্ষা সঞ্চালকালয়লৈ বাজেট প্ৰেৰণৰ অনুৰোধ জনাই যাৱতীয় তথ্য বিভাগক যোগান ধৰিছিল। আচলতে মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে বকেয়াৰ পৰা বঞ্চিত হৈ থকা শিক্ষকসকলৰ যাৱতীয় তথ্য বিচাৰি বিদ্যালয়ৰ সৈতে যোগাযোগ কৰিছিল। যাৰ উত্তৰত মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ক পত্ৰ নং ডি এছ ই/এছ জি/২০২৩/১০৬ দ্বাৰা এই সকলো বকেয়া বঞ্চিত শিক্ষকৰ তালিকা আৰু যাৱতীয় তথ্য প্ৰদান কৰা হৈছিল। কিন্তু দুৰ্ভাগ্যজনক বিষয় এই যে বিগত এটা বছৰে বিভাগৰ তৰফৰ পৰা কোনো পদক্ষেপ গ্ৰহণ কৰা নহ'ল। অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ এই সমস্যা যে কেৱল শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ দহ গৰাকী শিক্ষকৰ সমস্যা তেনে নহয়, বৰঞ্চ সমগ্ৰ অসমৰ বহু শিক্ষক ইয়াৰ ভুক্তভোগী। কিন্তু ইয়াৰ মাজতে অসমৰ দুই-এক জিলাৰ এনে বকেয়া বঞ্চিত শিক্ষকে নিজ প্ৰাপ্য লাভ কৰা বুলিও জানিব পৰা গৈছে। শিক্ষা বিভাগৰ দ্বাৰা পৰিচালিত এই বিষয়ত একাংশই যদি প্ৰাপ্য লাভ কৰিছে তেন্তে একাংশই কিয় এতিয়াও প্ৰাপ্য লাভ কৰা নাই সেই বিষয়ক লৈ প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে আজিৰ পৰা বিশ বছৰৰ আগত অৱসৰ লাভ কৰা এইসকল শিক্ষকৰ বৰ্তমান বয়স প্ৰায় আশী বছৰ। অশীতিপৰ এজন লোকৰ বাবে স্বাস্থ্য খৰচ কেনে জৰুৰী সেয়া সহজে অনুমেয়। তেনেস্থলত শিক্ষা বিভাগে এইসকল লোকে আগবঢ়াই যোৱা সেৱালৈ লক্ষ্য ৰাখি এই পুঁজি মুকলি কৰি দিবলৈ সচেতন মহলে দাবী জনাইছে।লগতে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুকো বিষয় সন্দৰ্ভত গুৰুত্ব দি মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ক প্ৰাপ্য বকেয়া ধন মুকলি দিবলৈ আহবান জনাইছে। লক্ষ্যণীয় যে একালৰ অসম আন্দোলনৰ অগ্ৰণী নেতা, প্ৰয়াত মন্ত্ৰী ভৃগু ফুকন, অঞ্জন দত্ত, অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তকে ধৰি বহুজনক শিক্ষাদান কৰি মানৱ সম্পদ ৰূপে গঢ় দি এইসকল শিক্ষাগুৰুৱে এতিয়া বৃদ্ধাৱস্থাতো প্ৰাপ্য বিচাৰি হাবাথুৰি খাবলগীয়া হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## বিশ্বনাথত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ

**ই-সংবাদ, বিশ্বনাথ, ৫ ডিচেম্বৰঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বিয়লি বিশ্বনাথ জিলা আয়ুক্তৰ সন্মিলন কক্ষত সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়া বৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াবৰ্গৰ পৰা বিভাগটোৰ উন্নয়নৰ খতিয়ান লয়। এই বৈঠকৰ পিছতেই মন্ত্ৰীগৰাকীয়ে সাংবাদিকসকলৰ আগত কয় যে ইতিমধ্যে ২০ লাখ ঘৰ আমি সম্পূৰ্ণ কৰিলো, ৬২ লাখ ৰেচন কাৰ্ড দিয়া হ'ল। মন্ত্ৰীগৰাকীক সংগ দিয়ে বিশ্বনাথ, বিহালী, গহপুৰৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱাল, উৎপল বৰা, আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেকে ধৰি জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলে।

## খাৰুপেটীয়াত আৰ্তজনক বস্ত্ৰ-কম্বল বিতৰণ

**ই-সংবাদ, খাৰুপেটীয়া, ৫ ডিচেম্বৰঃ** দৰং জিলাৰ খাৰুপেটীয়াৰ নিকটৱৰ্তী যোগীপাৰা মডাৰ্ন ইছলামিক একাডেমী প্ৰাংগণত কালি আবেলি হিউমেন ৰিছাৰ্চ ডেভেলপমেণ্ট ফাউণ্ডেচনৰ জৰিয়তে আহলে হাদিছ অসমৰ উদ্যোগত দুখীয়াৰ মাজত শীতকালীন বস্ত্ৰ কম্বল বিতৰণ কৰা হয়। সংগঠনটোৰ ৰাজ্যিক সাধাৰণ সম্পাদক ড০ নবাব আলী, দৰং জিলাৰ সভাপতি ইছমাইল হোছেইন আৰু অন্যান্য বিষয়ববীয়াসকলৰ উপস্থিতিত প্ৰায় দুশ জন দুখীয়া লোক আৰু মাদ্ৰাছা ছাত্ৰৰ মাজত এই শীতকালীন বস্ত্ৰ বিতৰণ কৰা হয়। উল্লেখ্য যে অহা ১১ আৰু ১২ জানুৱাৰীৰ সংগঠনটোৰ দশম বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতিৰ সৈতে সংগতি ৰাখি দুখীয়াৰ মাজত কম্বল বিতৰণ কৰা হয়।

## জ্যোতিৰাজ এণ্টাৰপ্ৰাইজত টাটা মটৰছৰ বাণিজ্যিক বাহন

ই-সংবাদ, মুকালমুলা, ৫ ডিচেম্বৰঃ নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত আদাবাৰীস্থিত জ্যোতিৰাজ এণ্টাৰপ্ৰাইজত আজিৰে পৰা সংযোজন হৈছে টাটা মটৰছৰ বাণিজ্যিক বাহন। পূব বৰক্ষেত্ৰী অঞ্চলৰ উদ্যমী ব্যৱসায়ী ৰুবুল কলিতাৰ জ্যোতিৰাজ এণ্টাৰপ্ৰাইজত সংযোজন ঘটে টাটা মটৰছৰ বাণিজ্যিক বাহন। হাজো-দৌলাশাল পথৰ আদাবাৰীত কিছুবছৰ পূৰ্বে জ্যোতিৰাজ এণ্টাৰপ্ৰাইজ প্ৰতিষ্ঠা কৰিছিল উদ্যমী ব্যৱসায়ী ৰুবুল কলিতাই। জ্যোতিৰাজ এণ্টাৰপ্ৰাইজত আজি আনুষ্ঠানিকভাৱে টাটা মটৰছৰ বিভিন্ন বাণিজ্যিক বাহন সংযোজন কৰা হয়। শুভ মুহূৰত অনুষ্ঠানৰ জৰিয়তেই জ্যোতিৰাজ এণ্টাৰপ্ৰাইজত টাটা মটৰছৰ বাণিজ্যিক বাহনসমূহ মুকলি কৰা হয়। মুকলি অনুষ্ঠানত বি পি এম টাটা মটৰছৰ ছেলছ হেড সৰ্বেশ্বৰ শৰ্মা, বি পি এম মটৰছ নলবাৰীৰ শাখাৰ পৰিচালক নৱজিৎ কলিতা, বি পি এম মটৰছ



নলবাৰীৰ শাখা ডি এছ ই সমীন কাশ্যপকে প্ৰমুখ্য কৰি অঞ্চলটোৰ বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকি উদ্যমী ব্যৱসায়ী ৰুবুল কলিতাৰ ব্যৱসায়িক উত্তৰণৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। শুভ মুহূৰত অনুষ্ঠানটোৰ আঁত ধৰে স্থানীয় সাংবাদিক জয়ন্ত ডেকাই। উল্লেখ্য যে জ্যোতিৰাজ এণ্টাৰপ্ৰাইজত গ্ৰাহকে পূৰ্বৰে পৰা ই-ৰিস্কাকে ধৰি দুচকীয়া মটৰ চাইকেল আৰু স্কুটী বাহন লাভ কৰি আহিছে।

# কুলধৰ শইকীয়াক সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা প্ৰদান

**ই-সংবাদ, শিৱসাগৰ, ৫ ডিচেম্বৰঃ** অসমীয়া ভাষা, সাহিত্য আৰু জাতীয় জীৱনৰ প্ৰতি অনবদ্য অৱদান আগবঢ়াই যোৱা অসমৰ অন্যতম এগৰাকী সাহিত্য কাণ্ডাৰী তথা শিৱসাগৰৰ সুসন্তান সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নামত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰৱৰ্তন কৰা 'সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা' কালি সন্ধিয়া জিলা ছাত্ৰ সন্থাই অসমৰ বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমি বঁটা প্ৰাপক ড০ কুলধৰ শইকীয়াক আনুষ্ঠানিকভাৱে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নগৰৰ কালী প্ৰসাদ সোঁৱৰণি ভৱনত প্ৰদান কৰে। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে জিলা ছাত্ৰ সন্থৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে ৰাগ ৰাগিনী সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এটা বৰগীতেৰে আৰম্ভ কৰা সভাত আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে আদৰণি ভাষণ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাহিত্য অকাডেমি বঁটা প্ৰাপক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ কুলধৰ শকীয়াই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বঁটা গ্ৰহণ কৰি ভাষণ প্ৰসংগত কয় যে অসমত বঁটা বুলি ক'লে মোৰ ভয় লাগে, মই কিজানি টকা-পইচা দিব লাগিব। প্ৰসংগক্ৰমে ড০ শইকীয়াই কয় যে শিৱসাগৰৰ জনসাধাৰণ মোৰ অতিকৈ মৰমৰ। শিৱসাগৰত মই মোৰ চাকৰি জীৱনৰ এচোৱা সময় অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব পালন কৰিছিলো। সেইবাবে মোৰ শিৱসাগৰখন আপোন আৰু অতিকৈ মৰমৰ। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পৰ্কত ড০ শইকীয়াই কয় যে বেজবৰুৱা এগৰাকী স্বদেশপ্ৰেমী হোৱাৰ লগতে মাতৃভাষাৰ হকে কাম কৰা বা জীৱনটো উছৰ্গা কৰা এগৰাকী ব্যক্তি আছিল। বেজবৰুৱাই অসমীয়া ভাষাৰ বাবে বৌদ্ধিক যুঁজ দিছিল। অসমীয়া জাতি আৰু ভাষাক ভাল পোৱা ব্যক্তিগৰাকী হ'ল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাই মাতৃভাষাৰ হকে কলিকতাত পঢ়ি থাকোঁতে ভাষাৰ উন্নতিৰ হকে কৰা কামৰ বিষয়ে মই বহলাই কোৱাৰ প্ৰয়োজন নাই। তেওঁ কয় যে অসমীয়া ভাষাটোৰ মৰ্যাদা ৰক্ষাৰ কাৰণে অহোপুৰুষাৰ্থ কৰি গ'ল বেজবৰুৱাই। অসমীয়া ভাষাই কিদৰে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিলে, সেই কণ্টকময় যাত্ৰাৰ বিষয়ে বিশেষভাৱে ড০ শইকীয়াই অৱগত কৰে। আন এক প্ৰসংগত ড০ শইকীয়াই কয় যে আমি বিনা কাৰণত চিঞৰি থাকিলে ভাষাৰ উন্নতি সাধন নহয়। তেওঁ কয়- 'মোৰ জীৱনৰ এক অভিজ্ঞতাৰ ভিত্তিত মই কওঁ যে গুৱাহাটীৰ এখন শ্বপিং মলত মই বজাৰ কৰিবলৈ গৈছিলোঁ, তেতিয়া সম্ভৱত এগৰাকী নলবৰীয়া যুৱতী কৰ্মচাৰীয়ে হিন্দী ভাষাত কি বস্তু লাগিছিল বুলি মোক প্ৰশ্ন কৰাত মই তেওঁক সুধিছিলো, তুমি অসমীয়া ছোৱালী নেকি? তেতিয়া যুৱতী কৰ্মচাৰীগৰাকীয়ে গৌৰৱেৰে কৈছিল- হয়, মই অসমীয়া ছোৱালী।এই শ্বপিং মলত যদি মই অসমীয়া ভাষাত কথা কওঁ মোৰ চাকৰি সেইদিনাই অন্ত পৰিব। সেইবাবে মই অসমীয়া ভাষাত কথা কোৱা জটিলতা আছে বুলি আক্ষেপেৰে কয়। ড০ শইকীয়াই সকলো দিশত তীক্ষ্ণ নজৰ ৰাখিবলৈ সভাত মুকলিকৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। শৰ্মাই ভাষণত কয় যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা ব্যক্তিগৰাকীয়েই হ'ল ড০ কুলধৰ শইকীয়া। অসমীয়া ভাষাটোক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বেজবৰুৱাৰ অৱদানসমূহো উৎপল শৰ্মাই ব্যক্ত কৰে। আন এক প্ৰসংগত শৰ্মাই কয় যে যিটো অসমীয়া ভাষাক বঙালী ভাষাৰ অপভ্ৰংশ নহয় বুলি, বঙালী ভাষাৰ পৰা সৃষ্টি হোৱা এটা ভাষা নহয় বুলি বা বঙালী ভাষাৰ এটা উপ-ভাষা নহয় বুলি শ বছৰ পূৰ্বে যিজন ব্যক্তিয়ে বলিষ্ঠভাৱে বৌদ্ধিক যুঁজ আগবঢ়াই নিছিল, তেখেতে হৈছে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, সাংগঠনিক সম্পাদক অনুপজ্যোতি ভূঞা, উজনীয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত, শিক্ষাবিদ ড০ প্ৰকাশ কটকী, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সাব্যসাচী মহন্ত, লক্ষ্মীনাথ বেজবৰুৱাৰ আজু পৰিনাতিৰ বোৱাৰী অৰুন্ধতী বেজবৰুৱা, বিশিষ্ট সাহিত্যিক প্ৰেম গগৈ, অসম উন্নতি সভাৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকাকে ধৰি বিশিষ্ট গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ কৰা প্ৰয়োজন যে ড০ কুলধৰ শইকীয়াক জিলা ছাত্ৰ সন্থাই প্ৰদান কৰা বঁটাত আছিল লক্ষ্মীনাথ বেজবৰুৱাৰ ছবি সম্বলিত এটা স্মাৰক, জাপি, চেলেং আৰু এখন সম্বৰ্ধনা পত্ৰ।

# দেওমৰনৈত বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ মতিৰাম শইকীয়াক সম্বৰ্ধনা

**ই-সংবাদ, দুমুনিচকী, ৫ ডিচেম্বৰঃ** দেওমৰনৈত বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ মতিৰাম শইকীয়াক আজি সম্বৰ্ধনা জনোৱা হয়। দৰং জিলাৰ দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হোৱা ঐতিহাসিক শ্ৰীশ্ৰীশিয়ালা বৈষ্ণৱ দেওমৰনৈ সত্ৰৰ মণিকূট নিৰ্মাণৰ সাহায্যাৰ্থে অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল আৱাহন থিয়েটাৰক ৩, ৪ আৰু ৫ ডিচেম্বৰত তিনিটা নিশাৰ বাবে আমন্ত্ৰণ জনোৱা থিয়েটাৰৰ প্ৰেক্ষাগৃহত প্ৰথম নিশাৰ নাট আৰম্ভ হোৱাৰ আগমুহূৰ্তত দেওমৰনৈ অঞ্চলত ভ্ৰাম্যমাণ থিয়েটাৰৰ জোৱাৰ অনা তথা দেওমৰনৈ মহাবিদ্যালয়(কনিষ্ঠ)ৰ অৱসৰপাপ্ত অধ্যক্ষ, দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, শ্ৰীশ্ৰীশিয়ালা বৈষ্ণৱ দেওমৰনৈ সত্ৰৰ মণিকূট নিৰ্মাণ সমিতিৰ সম্পাদক তথা দেওমৰনৈ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত মতিৰাম শইকীয়াক থিয়েটাৰ পৰিচালনা সমিতিৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হয়। শইকীয়াই দেওমৰনৈত বিভিন্ন ভ্ৰাম্যমাণ থিয়েটাৰ আহ্বান কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়াত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। দেওমৰনৈত ভ্ৰাম্যমাণ থিয়েটাৰ আহ্বান কৰাৰ মুখ্য দায়িত লোৱা মতিৰাম শইকীয়াই ৪২ বাৰতকৈও অধিক থিয়েটাৰ পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সুন্দৰভাৱে থিয়েটাৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত গুৰুত্বপুৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আজি দেওমৰনৈত অনুষ্ঠিত হৈ থকা আৱাহন থিয়েটাৰৰ প্ৰেক্ষাগৃহত থিয়েটাৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি নিৰঞ্জন শইকীয়াই আঁত ধৰা অনুষ্ঠানত বিশিষ্ঠ সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ মতিৰাম শইকীয়াক শ্ৰী শ্ৰী শিয়ালা বৈষ্ণৱ দেওমৰনৈ সত্ৰৰ থিয়েটাৰ পৰিচালনা সমিতিৰ তৰফৰপৰা বলিষ্ঠ অভিনেত্ৰী তথা ভ্ৰাম্যমাণৰ মহাৰাণী খ্যাত প্ৰস্তুতি পৰাশৰৰ হাতেৰে গামোচা, স্মাৰক, জাপি আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। থিয়েটাৰ পৰিচালনা সমিতিৰ এই সম্বৰ্ধনা অনুষ্ঠানত দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মানস দাস, আৱাহন থিয়েটাৰৰ প্ৰযোজক তথা বিশিষ্ট অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, আৱাহন থিয়েটাৰৰ সম্পাদক প্ৰভাত ৰয়ক আদৰণি জনোৱা হয়। শ্ৰীশ্ৰীশিয়ালা বৈষ্ণৱ দেওমৰনৈ সত্ৰৰ মণিকূট নিৰ্মাণৰ সাহায্যাৰ্থে আমন্ত্ৰণ জনাই সত্ৰখনিৰ মণিকূট নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। মণিকূট নিৰ্মাণ সমিতিৰ তৰফৰপৰা নাট্যপ্ৰেমী ৰাইজক ধন্যবাদ জ্ঞাপন কৰা হয়।

# সৰুপথাৰৰ ১১২টা নামঘৰলৈ সাংস্কৃতিক কেন্দ্ৰ নিৰ্মাণৰ বাবে মঞ্জুৰি-পত্ৰ প্ৰদান বিধায়ক বিশ্বজিৎ ফুকনৰ

**ই-সংবাদ, সৰুপথাৰ, ৫ ডিচেম্বৰঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত সৰুপথাৰ পৌৰসভাস্থিত ৰংঘৰ প্ৰেক্ষাগৃহত আজি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাখন বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে। উক্ত সভাত সৰুপথাৰ সমষ্টিৰ বিধায়কে ১১২ টা নামঘৰ আৰু বাথৌ মন্দিৰলৈ মঞ্জুৰি পত্ৰ আগবঢ়ায়। উল্লেখ্য যে, গোলাঘাট দক্ষিণ উন্নয়ন খণ্ডৰ অন্তৰ্গত পঞ্চায়তসমূহৰ ২০২৩-২৪ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ প্ৰথম আৰু দ্বিতীয় কিস্তিৰ অনিৰ্ধাৰিত পুঁজিৰে সাংস্কৃতিক কেন্দ্ৰ নিৰ্মাণৰ বাবে প্ৰদান কৰে এই মঞ্জুৰি পত্ৰ। এই মঞ্জুৰি পত্ৰসমূহ ১১২ টা নামঘৰৰ নামঘৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ হাতত বিধায়কগৰাকীয়ে প্ৰদান কৰে। আনহাতে, সভাত উপস্থিত থাকে বিধায়কগৰাকীৰ লগতে সৰুপথাৰ পৌৰসভাৰ পৌৰপতি উষা ভিলৰাৰীয়া, বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ কুমাৰ বৰুৱা, সৰুপথাৰ সমজিলাৰ খণ্ড উন্নত বিষয়া তমসা দাসৰ লগতে গণ্য মান্য ব্যক্তিসকল। পাঁচ শতাধিক লোকৰ উপস্থিতিত আজিৰ এই সভা অনুষ্ঠিত হয়। আজিৰ সভাতে অহা ৯ ডিচেম্বৰত সৰুপথাৰ সমজিলালৈ কেইবাটাও কাৰ্যসূচীলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অহাৰ কথা সংবাদ মাধ্যমৰ আগত অৱগত কৰে বিধায়কগৰাকীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ৯ ডিচেম্বৰত সৰুপথাৰ সমজিলাৰ অন্তৰ্গত ছেৰাগুৰি ষ্টেডিয়াম উদ্বোধন, সৰুপথাৰ অসামৰিক চিকিৎসালয় উদ্বোধন, সৰুপথাৰ ইনড'ৰ ষ্টেডিয়ামৰ শুভ উদ্বোধন কৰাৰ লগতে সদৌ অসম নেপালী সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষৰ অধিৱেশনত মুখ্যমন্ত্ৰীগৰাকী উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে বিধায়ক বিশ্বজিৎ ফুকনে।

# ধুবুৰী জিলা সাহিত্য সভাৰ বিষয়ববীয়াৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ বাবে অধিসূচনা ঘোষণা

**ই-সংবাদ, পৰ্বতঝোৰা, ৫ ডিচেম্বৰঃ** শেহতীয়াকৈ ধুবুৰী জিলা সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ সভাপতি, সম্পাদক আৰু উপ-সভাপতি পদৰ নিৰ্বাচনৰ বাবে গঠন কৰি দিয়া নিৰ্বাচনী বিষয়ববীয়াসকলে অধিসূচনাখন আজি আনুষ্ঠানিকভাৱে জাৰি কৰে বুলি ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক বিনয় কুমাৰ নাথে এক বিবৃতিযোগে জানিবলৈ দিয়ে। ধুবুৰী জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা এখন কাছাৰীহাট শাখা সাহিত্য সভাত অনুষ্ঠিত কৰি জিলা নিৰ্বাচনী সমিতিখন গঠন কৰি দিছিল। নিৰ্বাচনী সমিতিখনে কালি বিলাসীপাৰা থাপনা পুথিভঁৰালত এখন বৈঠক অনুষ্ঠিত কৰে। উক্ত বৈঠকত নিৰ্বাচনী বিষয়া, ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰণীকান্ত ৰায়, অধিবক্তা সহিদুৰ ৰহমান, অধিবক্তা অমিয় কুমাৰ নাথে ধুবুৰী জিলা সাহিত্য সভাৰ নিৰ্বাচনীপ্ৰক্ৰিয়াৰ অধিসূচনাখন প্ৰস্তুত কৰে। নিৰ্বাচনী সমিতিখনৰ নিৰ্বাচনী কাৰ্যক্ৰমনিকা মতে, ৭ আৰু ৮ ডিচেম্বৰ ২০২৪ তাৰিখৰ পৰা সভাপতি, উপ-সভাপতি আৰু সম্পাদক পদৰ প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ বিলাসীপাৰা শাখা সাহিত্য সভাৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব লাগিব। ১১ ডিচেম্বৰ ২০২৪ তাৰিখত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। মনোনয়ন পত্ৰৰ লগত প্ৰতিগৰাকী ইচ্ছুক প্ৰাৰ্থীয়ে ২০০০ টকাকৈ জমা দিব লাগিব। ১৩-১২-২০২৪ তাৰিখে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। সিদিনাখনে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ দিন। ১৪-১২-২০২৪ তাৰিখে প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব।১৫, ১৬ আৰু ১৭ ডিচেম্বৰত বেলট পেপাৰসমূহ শাখা বিলাকত বিতৰণ কৰাৰ ব্যৱস্থা কৰিব। বিলাসীপাৰা সমজিলাৰ শাখা সাহিত্য সভাৰ সভাপতি/সম্পাদকসকলে বিলাসীপাৰা শাখা কাৰ্যালয়ৰ পৰা বেলট প্ৰ-পত্ৰ বিলাক সংগ্ৰহ কৰিব লাগিব। আনফালে, ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ সাহিত্য চ'ৰাৰ পৰা ধুবুৰী মহকুমাৰ অন্তৰ্গত শাখা সাহিত্য সভাসমূহে বেলট প্ৰ-পত্ৰসমূহ সংগ্ৰহ কৰিব লাগিব। ২২-১২-২০২৪ তাৰিখত পুৱা ১০ বজাৰ পৰা দিনৰ ১.০০ বজাৰ ভিতৰত বেলট প্ৰ-পত্ৰসমূহ বৰকান্দা পিপলছ একাডেমী বিদ্যালয়ত স্থাপন কৰা নিৰ্বাচনী কাৰ্যালয়ত নিৰ্বাচনী বিষয়াসকলৰ হাতত দাখিল কৰিব লাগিব। সিদিনা ১.০০ বজাৰ পাছত বেলট প্ৰ-পত্ৰসমূহ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্বাচনী অধিসূচনাত উল্লেখ কৰা হৈছে। সিদিনাই দিনৰ ১.৩০ বজাৰ পৰা ভোটগণনা কৰা হ'ব। জিলা সাহিত্য সভাৰ নিৰ্বাচনী বিষয়াসকলে এই বিস্তাৰিত অধিসূচনাখন বাতৰি কাকতৰ জৰিয়তে প্ৰকাশ কৰাৰ বাবে সিদ্ধান্ত লয়। কালিৰ নিৰ্বাচনী সমিতিখনে প্ৰস্তুত কৰা অধিসূচনাখনৰ বিষয়টো ধুবুৰী জিলা সাহিত্য সভাক জ্ঞাত কৰা বুলি নিৰ্বাচনী সমিতিখনে জানিবলৈ দিয়া বুলি ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক বিনয় কুমাৰ নাথে জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ৰ ৰিমি বৰদলৈৰ এ পি এছ চি পৰীক্ষাত সফলতা

**ই-সংবাদ, ডিব্ৰুগড়, ৫ ডিচেম্বৰঃ** আজি ঘোষিত এ পি এছ চি, চি চি ই-২০২৩ৰ ফলাফলত ডিব্ৰুগড়ৰ ৰিমি বৰদলৈয়ে অসম আৰক্ষী সেৱাৰ শাখাত ১৫ নম্বৰ স্থান দখল কৰি জিলাখনলৈ সফলতা কঢ়িয়াই আনিছে। ডিব্ৰুগড়ৰ উত্তৰ আমোলাপট্টিৰ ভৱানন্দ বৰদলৈ আৰু বিনুদেৱী বৰদলৈৰ দুই কন্যাৰ জ্যেষ্ঠ কন্যা ৰিমি বৰদলৈৰ এই সফলতাত মাক-দেউতাকৰ লগতে আত্মীয় স্বজন, বন্ধু-বান্ধৱী আদিয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে ৰিমিক মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰে। কঠোৰ পৰিশ্ৰম, ধাৰাবাহিকতা আৰু সৰ্বোপৰি নিজৰ ওপৰত বিশ্বাসেই সফলতাৰ মূল চাবিকাঠি বুলি ৰিমি বৰদলৈয়ে জানিবলৈ দিয়ে। লিটিল ফ্লাৱাৰ স্কুল ডিব্ৰুগড়ৰ পৰা মেট্ৰিক, ছল্ট ব্ৰুক একাডেমী ডিব্ৰুগড়ৰ পৰা হায়াৰ ছেকেণ্ডেৰী আৰু গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা বৈদ্যুতিক অভিযান্ত্ৰিক বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰা ৰিমি বৰদলৈয়ে গুৰুগাঁৱৰ এটা অটোম'বাইল কোম্পানীতো ৫ বছৰ ধৰি কাম কৰি আছে। ইয়াৰ পিছত তেওঁ ৰাজ্যিক অসামৰিক সেৱাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰে আৰু অৱশেষত অসম আৰক্ষী সেৱাত ১৫ সংখ্যক স্থান দখল কৰিবলৈ সক্ষম হয়

ই-সংবাদ, ডিব্ৰুগড়, ৫ ডিচেম্বৰঃ আজি ঘোষিত এ পি এছ চি, চি চি ই-২০২৩ৰ ফলাফলত ডিব্ৰুগড়ৰ ৰিমি বৰদলৈয়ে অসম আৰক্ষী সেৱাৰ শাখাত ১৫ নম্বৰ স্থান দখল কৰি জিলাখনলৈ সফলতা কঢ়িয়াই আনিছে। ডিব্ৰুগড়ৰ উত্তৰ আমোলাপট্টিৰ ভৱানন্দ বৰদলৈ আৰু বিনুদেৱী বৰদলৈৰ দুই কন্যাৰ জ্যেষ্ঠ কন্যা ৰিমি বৰদলৈৰ এই সফলতাত মাক-দেউতাকৰ লগতে আত্মীয় স্বজন, বন্ধু-বান্ধৱী আদিয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে ৰিমিক মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰে।

# ২৪ সংখ্যক ভাৰত ৰংগ মহোৎসৱলৈ ‘মধুমক্ষিকা’সহ ১০খন অসমীয়া নাটক

■ প্ৰাঞ্জল এ. শৰ্মা

ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে প্ৰতিবছৰে আয়োজন কৰা ভাৰত ৰংগ মহোৎসৱৰ আগন্তুক বৰ্ষৰ অৰ্থাত ২০২৫ বৰ্ষৰ আয়োজন ২৪সংখ্যক ভাৰত ৰংগ মহোৎসৱলৈ নিৰ্বাচিত হৈছে অসমৰ ১০খন নাটক। অসমৰ নাট্যজগতৰ বাবে নিসন্দেহ এক সুখৰ খবৰ এয়া। অসমৰ ভিন্ন প্ৰান্তত বিগত বহুবছৰ ধৰি নিৰবিচ্ছিন্নভাৱে নাট্যসাধনা অব্যাহত ৰখা বিভিন্ন নাট্যকৰ্মীৰ পৰিশ্ৰম, চিন্তা, গৱেষণা আৰু অধ্যৱসায়ৰ ফচল এই নাটকসমূহে সমগ্ৰ ভাৰতৰ লগতে দেশ বিদেশৰ বিভিন্ন দৰ্শকক অসমৰ নাট্য আন্দোলন, নাট্য চৰ্চা, নাট্য চেতনা আৰু নাট্য দক্ষতাৰ উমান দিব।

এই ১০খন নাটক হৈছে ক্ৰমে ভয়ছ থিয়েটাৰ, গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ প্ৰসিদ্ধ নাট পৰিচালক মানিক ৰয়ে পৰিচালনা কৰা দক্ষ তথা খ্যাতিমান নাট্যকাৰ হিল্লোল কুমাৰ পাঠকে ৰচনা কৰা নাটক মধুমক্ষিকা। শিপাভূমি, অসমৰ ওৱেচিচ চৌগাইজাম পৰিচালিত এদিনা, চৌল অৱ লাষ্ট বৰ্ড, থাৰ্ড থিয়েটাৰ অসমৰ বিজিত কুমাৰ দাস পৰিচালিত অনন্তগুণ শ্ৰীৰামচন্দ্ৰ, শিল্পকানন, অসমৰ দক্ষিণা শৰ্মা পৰিচালিত বিদ্ৰোহীজনা, অভিজ্ঞানম অসমৰ ৰংনহাং চৌধুৰী পৰিচালিত কম্ফৰ্ট ৰোমেন, এন আনটোল্ড ষ্টোৰী, জিৰছং থিয়েটাৰৰ ৰবিজিতা গগৈ পৰিচালিত ইতি মৃণালিনী, চিফুং দ্য আৰ্টিষ্টৰ পক্ষী শৰণীয়া পৰিচালিত মাংৰি, চৰ্চাৰ অসীম কুমাৰ নাথ পৰিচালিত ফিনিক্স পখী, অৰ্হি, অসমৰ বিদ্যুত কুমাৰ নাথ পৰিচালিত ৰঘুনাথ, পথাৰ, অসমৰ পৱিত্ৰ চেতিয়া পৰিচালিত ৰাম বিজয় আটাইকেইখন নাটকেই



ইতিমধ্যে অসমৰ ভিন্ন প্ৰান্তৰ দৰ্শকৰ আদৰ লাভ কৰিছে। ইয়াৰে ভিতৰত হিল্লোল কুমাৰ পাঠক ৰচিত আৰু মানিক ৰয় পৰিচালিত মধুমক্ষিকা নাটকখনৰ দৰ্শক হোৱাৰ সৌভাগ্য হৈছিল। হিল্লোল কুমাৰ পাঠকৰ নাটক বুলি ক'লেই সচেতন দৰ্শকৰ বাবে এক বিশেষ আকৰ্ষণ। সেয়া লাগিলে কোনো বিশ্বখ্যাত নাটকৰ অসমীয়া অভিযোজনায়ে হওক অথবা তেওঁৰ কলমেৰে নতুন কোনো মৌলিক নাটকেই হওক। ইতিপূৰ্বেও বহুকেইখন নাটক অভিযোজনা কৰি অসমৰ একাধিক দক্ষ তথা গুণী পৰিচালকৰ দ্বাৰা পৰিচালনা কৰি দৰ্শকক চিৰাচৰিত এক চিন্তাৰ ব্যতিৰেকে খ্যাত বক্তব্য এটাক অন্যধৰণে বিশ্লেষণ কৰি চোৱাৰ এক অৱকাশ দিয়াই হওক বা নিজৰ মৌলিক ৰচনাৰে দৰ্শকৰ অন্তৰাত্মাত এক মৃদু শিহঁৰণ আৰু আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে হিল্লোল কুমাৰ পাঠকে। ‘মধুমক্ষিকা’ নাটকখনে নাট্যকাৰৰ প্ৰতি থকা আমাৰ সেই প্ৰত্যশাত ১০০ শতাংশ উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। বৰং নাট্য সাধনাৰ ক্ষেত্ৰত নাট্যকাৰৰ বৌদ্ধিক উত্তৰণৰ জলজল পটপট নিদৰ্শণ আছিল ‘মধুমক্ষিকা’। এগৰাকী নাৰী আৰু এটা মৌ-মাখি। আপুনি আৰু মই বাৰু জীৱনটোক কেতিয়াবা এক মিনিটৰ বাবে চকু মুদি আমাৰ চৌপাশে অনৱৰতে বিচৰণ কৰি থকা মৃদু গুঞ্জনৰ বাহক অন্ততঃ দুটি মৌৰ কথা ভাবোনে? সেয়া আমাৰ মা, সেয়া আমাৰ প্ৰেয়সী বা সহধৰ্মিনী। কিদৰে এটি কৰ্মী মৌৰ দৰে জীৱনৰ সমস্ত দায়িত্ব বুকুখনে হেজাৰ কষ্টত আটাহ পাৰি চিঞৰিব বিচাৰিলেও সেই চিঞৰত মৌনতাৰ এখনি আচলেৰে ঢাকি পালন কৰি যায়, সেই কথা আমি বাৰু কেতিয়াবা সামান্য দূৰৈৰ পৰা পৰ্যবেক্ষণ কৰোনে? নে সেয়া এক Taken For Granted কথা আমাৰ বাবে? এই প্ৰশ্ন কেতিয়াবা আমি কৰিছোনে? পৰিচালক মানিক ৰয়ে নিজেও এটা চৰিত্ৰত অভিনয় কৰি সেই প্ৰশ্ন আমাক কৰোৱাইছে। আমি কৰিছো। কাৰণ সিদিনা আমি ‘মধুমক্ষিকা’ চাইছো। এগৰাকী নাৰীয়ে যে জীৱনটোত মৌ-মাখিটো হৈ অভিনয় কৰি থাকিল। অভিনেত্ৰী হৈ থাকিল আৰু প্ৰাপ্তিৰ নামত যে হাতত কেৱল স্মৃতিৰ কেইটামাৰ মলিয়ন অথচ চিনাকি গোন্ধ থকা মুদ্ৰা হৈ ৰৈ গ'ল, সেই কথা কোনোবাই কেতিয়াবা তেওঁক সোধেনে? তেওঁ হয়তো আমাৰ আইতা, মা অথবা নিজৰ মানুহজনী। ভ্ৰম আৰু বিভ্ৰমৰ এখন দৌল্যমান জালত ওলমি ওলমি চুলিৰ বৰণ কহুঁৱা হোৱালৈকে নিজৰ দায়িত্বতেই যে নিয়োজিত আৰু নিমজ্জিত হৈ থাকে আমাৰ চিনাকি সেই মধুমক্ষিকাবোৰ, সেই কথাটো সিদিনা আমাক মানিক ৰয়ৰ সুন্দৰ পৰিচালনাৰে অনুভৱ কৰাই দিলে অভিনেতা কুশীলৱসকলে।

পৰিচালক হিচাপে মানিক ৰয় এগৰাকী অতি উচ্চ মানৰ পৰিচালক। যিকোনো কাহিনী এটাক সঠিক ক্ৰাফিটঙেৰে, সময় আৰু স্থানৰ কোনো তাৰতম্য নোহোৱাকৈ দৰ্শকৰ মনোজগতক আলোড়িত কৰিব পৰাকৈ পৰিচালনা কৰা দক্ষতা আছে মানিক ৰয়ৰ। সেই দক্ষতাৰেই মধুমক্ষিকাই ভাৰত ৰংগ মহোৎসৱত আমাৰ দেশৰ ভিন্ন প্ৰান্তৰ লগতে বিদেশৰো দৰ্শকৰ আগত এক অনন্য নাট্যানুভূতিৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলি আমি বিশ্বাস কৰো। লগতে নিৰ্বাচিত অন্য নাটককেইখনেও সুন্দৰ প্ৰদৰ্শনেৰে অসমৰ সুনাম ৰক্ষা কৰিব বুলি আশাবাদী।

---

# এখন শ্মশান, অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ চিনেমেটিক কথন...




• ইউ.পি.ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

**চিনেমাখনৰ মূল উপজীব্য হৈছে আমাৰ সমাজৰ প্ৰচলিত পৰম্পৰা আৰু আধুনিক বিজ্ঞানৰ অৱদানৰ মাজত জীয়াই থকাৰ এক দ্বন্দ্ব...**

মুক্তিৰ বাবে সাজু হৈ উঠিছে ৰাজ্যৰ প্ৰথিতযশা অভিনেতা, প্ৰযোজক যতীন্দ্ৰনাথ খনিকৰ অভিনীত আৰু প্ৰযোজিত তথা প্ৰসিদ্ধ চিনেমা নিৰ্মাতা চন্দ্ৰ মুদৈ পৰিচালিত “গমন, দ্য জাৰ্ণি”। গুৱাহাটীৰ বিভিন্ন লোকচনত চিনেমাখনৰ শ্বুটিং সম্পন্ন হৈছিল। অতীত পৰম্পৰা, মানুহৰ জীৱনৰ বিড়ম্বনা আৰু জীৱন জীৱিকাৰ এক যাত্ৰাক সাৰ হিচাপে লৈ চিনেমাখনৰ কাহিনী ৰচনা কৰা হৈছে। মনোৰঞ্জনধৰ্মী উপাদানসমৃদ্ধ তথা কলাত্মক চিত্ৰনিৰ্মানৰ পৰশেৰে নিৰ্মান কৰা চিনেমাখনৰ কাহিনী/চিত্ৰনাট্য/সংলাপ আৰু পৰিচালনা চন্দ্ৰ মুদৈৰ। মুখ্য সহকাৰী পৰিচালক  মনিশ দাস আৰু সহকাৰী পৰিচালক: অনুশীলা সাউদ হাজৰিকা। বিপুল কলিতাৰ প্ৰযোজনাত নিৰ্মিত চিনেমাখনৰ কিছু অংশ শ্বুটিং কৰা হয় গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ সমীপতো। প্ৰযোজনা নিয়ন্ত্ৰক ডিম্বেশ্বৰ শৰ্মাৰ তত্বৱধানত শ্বুটিং সম্পন্ন হোৱা গমন, দ্য লাষ্ট জাৰ্ণি নামৰ চিনেমাখনৰ দৃশ্যগ্ৰহণ কৰিছে নৱ দাসে। চিনেমাখনৰ ৰূপসজ্জা অসমৰ এগৰাকী আগশাৰীৰ ৰূপসজ্জা শিল্পী গৌতম চৌধুৰীৰ। চিনেমাখনৰ মূল উপজীব্য হৈছে আমাৰ সমাজৰ প্ৰচলিত পৰম্পৰা আৰু আধুনিক বিজ্ঞানৰ অৱদানৰ মাজত জীয়াই থকাৰ এক দ্বন্দ্ব। আমি পৰম্পৰাক সাবতি ৰৈ যাম নে

## গমন দ্য লাষ্ট জাৰ্ণি

সমান্তৰালভাৱে বিজ্ঞানৰ সৈতেও খোজ মিলাম? এই প্ৰশ্নৰ উত্তৰ বিচাৰি এক নিটোল কাহিনী ৰচনা কৰা হৈছে। এখন শ্মশানে কিদৰে আমাৰ জীৱনৰ অতীত,বৰ্তমান আৰু প্ৰৱল কাৰিকৰী আগ্ৰাসনে ক্ৰমাগতভাৱে গ্ৰাস কৰি অহা ভৱিষ্যতক প্ৰতিনিধিত্ব কৰে, সেই কথা চিনেমেটিক ভাষাৰে উপস্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে গমন, দ্য লাষ্ট জাৰ্ণিত। চিনেমাখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰি আছে জ্যেষ্ঠ অভিনেতা যতীন্দ্ৰনাথ খনিকৰ, মোহময়ী অভিনেত্ৰী অমৃতা গগৈ, সুদৰ্শন অভিনেতা দিব্যজ্যোতি দাস,আৰতি কলিতা,প্ৰতিভাবান চৰিত্ৰ অভিনেতা ছাজু আহমেদ আৰু এটি বিশেষ চৰিত্ৰ ৰূপায়ন কৰিছে শিশু অভিনেতা সাক্ষিৎ ওম শৰ্মাই। ২০২৫ বৰ্ষৰ মাৰ্চ মাহৰ ১৪ তাৰিখে চিনেমাখন মুক্তি দিয়াৰ পৰিকল্পনা কৰিছে প্ৰযোজক পৰিচালকে।



# গুৰু-শিষ্যৰ অভিনয়ৰে সফলভাৱে মঞ্চস্থ

# অপৰাজিতা

> চাকৰি জীৱনৰ হা-হুমুনিয়াহ, মানসিক দ্বন্দ্ব, প্ৰেম তথা প্ৰাত্যহিক সংঘাতৰ পিছতো জীয়াই থকাৰ হেঁপাহ যে জাগ্ৰত কৰি ৰাখিব লাগে সেয়া 'অপৰাজিতা' শীৰ্ষক নাটখনত অভিনয়ৰ জৰিয়তে সুন্দৰভাৱে প্ৰতিফলিত কৰিছে গুৰু-শিষ্যসকলে।

**ৰাজ্যত ৰাসৰ** বতৰত ভিন্ন প্ৰান্তত ভাওনা মঞ্চস্থ হৈ থকাৰ সময়তে গুৱাহাটী মহানগৰীত গুৰু-শিষ্যই একেখন মঞ্চত অভিনয় কৰি সমাজলৈ প্ৰেৰণ কৰিছে এক বিশেষ বাৰ্তা। চাকৰি জীৱনৰ হা-হুমুনিয়াহ, মানসিক দ্বন্দ, প্ৰেম তথা প্ৰাত্যহিক সংঘাতৰ পিছতো জীয়াই থকাৰ হেঁপাহ যে জাগ্ৰত কৰি ৰাখিব লাগে সেয়া 'অপৰাজিতা' শীৰ্ষক নাটখনত অভিনয়ৰ জৰিয়তে সুন্দৰভাৱে প্ৰতিফলিত কৰিছে গুৰু-শিষ্যই। যোৱা ২৯ নৱেম্বৰত ৰাজ্যৰ আগশাৰীৰ শিক্ষক প্ৰশিক্ষণ শিক্ষানুষ্ঠান চৰকাৰী বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত এই বিশেষ পূৰ্ণাংগ নাটখন মঞ্চস্থ হৈ যায়। নাটখনৰ নাট্যকাৰ মহাবিদ্যালয়খনত প্ৰশিক্ষণৰত দ্বিতীয় বৰ্ষৰ শিক্ষক মনোৱাৰ হুছেইন। সামাজিক বিষাদ আৰু প্ৰেমগাথাক লৈ ৰচিত নাট্যকাৰ হুছেইনৰ এই পূৰ্ণাংগ নাটখনে দৰ্শকসকলৰ মন-মগজু চুই যোৱা পৰিলক্ষিত হয়। নাৰী চৰিত্ৰ অপৰাজিতাক মুখ্য নায়িকা হিচাপে উপস্থাপন কৰা নাটখনত দুই ভগ্নীৰ সম্পৰ্ক তুলি ধৰা হৈছে। অপৰাজিতা আৰু কনিষ্ঠ ভগ্নী অনামিকাৰ মাজৰ সম্পৰ্ক, আৱেগ, সংঘাতক লৈ বৰ্তমান সমাজৰ বাস্তৱত ঘটি থকা ঘটনাৰাজিক তুলি ধৰা হৈছে। অপৰাজিতা শান্ত, শিষ্ট, মৃদুভাষী। আনহাতে অনামিকা ৰাংঢালী আৰু মুক্তমনৰ। সেই সময়তে এজন প্ৰেমধৰ কলিতা নামৰ যুৱকৰ বাবে দুয়ো ভগ্নীৰ মাজত সংঘাত বৃদ্ধি পায়। প্ৰেমধৰ কলিতাই নতুনকৈ চাকৰি পাইছিল। প্ৰেমধৰ কলিতাই অপৰাজিতাৰ প্ৰেমত পৰে। অপৰাজিতায়ো প্ৰেম স্বীকাৰ কৰে। যেতিয়া সেই কথা ভগ্নী অনামিকাই এটা ফোন ৰেকৰ্ডিঙৰ দ্বাৰা গম পালে তেতিয়া ভগ্নী অনামিকা ঘৰৰ পৰা ওলাই গুচি যায়। সমানে চাকৰি লাভ কৰি প্ৰশিক্ষণৰ বাবে গুচি যায় প্ৰেমিক প্ৰেমধৰ কলিতা। ভগ্নী ঘৰৰ পৰা ওলাই গ'ল আৰু প্ৰেমিক প্ৰেমধৰ কলিতায়ো প্ৰশিক্ষণলৈ যোৱাৰ পিছতে অকলশৰীয়া অপৰাজিতা 'কনভাৰছেশ্যন ডিছঅৰ্ডাৰ'ত আক্ৰান্ত হয়। এই সময়ছোৱাতেই নাট্যকাৰে চাকৰি জীৱন, নিসংগতা, সমাজিক ব্যৱস্থা, নাৰীৰ সহিষ্ণুতা, সংসাৰৰ প্ৰতি দুৰ্বলতা আদি বিষয় স্পষ্টভাৱে দাঙি ধৰিছে। সুন্দৰ আৰু সাৱলীলভাৱে উপস্থাপন কৰা নাটকখনে চাকৰিকালত মানুহে কেনেদৰে ঘৰখনৰ বান্ধোন কটকটীয়া কৰি ৰাখিবলৈ ত্যাগ কৰিবলগীয়া হয় সেই কথাও ফুটাই তুলিছে।







অসমীয়া সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰৰ ছবিও নাটখনত দেখা গৈছে। পিতৃ প্ৰধান পৰিয়ালৰ বাস্তৱ দৃশ্য কিছুমানো দেখুওৱা হৈছে। প্ৰশিক্ষণ মহাবিদ্যালয়খনৰ অধ্যাপিকা ড০ মৌচুমী বৰদলৈৰ পৃষ্ঠপোষকতাত আৰু ড০ মৌচুমী চৌধুৰীৰ পৰিচালনাত আৰু মনোৱাৰ হুছেইনৰ সহঃপৰিচালনাত মঞ্চস্থ নাটখনত নামনি অসমত ব্যৱহৃত বিশেষকৈ নলবৰীয়া ভাষাক গুৰুত্ব প্ৰদান কৰা হৈছে। নাটখনত সুৰ আৰু সংগীত প্ৰদান কৰিছে প্ৰশিক্ষাৰ্থী ভূপেন দাস আৰু অধ্যাপিকা কৃষ্ণা ডেকাই। অভিনয়ত আছিল অধ্যাপিকা-অধ্যাপিকা ড০ ছায়ামণি দত্ত, ড০ পল্লৱী কলিতা, ড০ উৎপল গোস্বামী, স্নেহ মঞ্জৰী মজুমদাৰ, মানসী শৰ্মা, মিতালী বৰুৱা আৰু কৃষ্ণা ডেকা। প্ৰশিক্ষাৰ্থীৰ ভিতৰত মঞ্চ পৰিচালনা কৰে ড০ হামিদুল ইছলামে। অভিনয় কৰে মনোজ কুমাৰ মিশ্ৰ, চৈয়দা শ্বামীমা ৰহমান, শিখা ছেত্ৰী, প্ৰদ্যুম্ন পাঠক, গণেশ দাস, ছফিকুল ইছলাম, দীপ্তৰাগ দাস আৰু পাৰ্শ্বিয়া দাসে। নাটখন মঞ্চস্থ কৰাত সহায় কৰে নৱ কুমাৰ কলিতা, ৰাজমণি গোস্বামী, মৃদুল গোস্বামী, অনিল দাস, পল্লৱী দেৱী আৰু ইপ্সিতা বৰুৱাই। প্ৰশিক্ষণ মহাবিদ্যালয়ত প্ৰথমবাৰ গুৰু আৰু শিষ্যই একেলগে নাটকত অভিনয় কৰাৰ লগতে এখন পূৰ্ণাংগ নাট মঞ্চস্থ কৰি নতুন ইতিহাস ৰচে। অসমীয়া ভাষাৰ কদৰ দিনে-দিনে হ্ৰাস হোৱা বুলি সমালোচিত হ'লেও শেহতীয়াকৈ ভাৰত চৰকাৰে ভাষাটোক ধ্ৰুপদী ভাষাৰ মৰ্য্যদা প্ৰদান কৰিছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ সৈতে সংগতি ৰাখি চৰকাৰী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়খনৰ শিক্ষক আৰু প্ৰশিক্ষণৰত শিক্ষকে অসমীয়া ভাষাটোক যাউতিযুগীয়া কৰি ৰাখিবলৈ পৰম্পৰাগত থলুৱা কথনক গুৰুত্ব দি নাট মঞ্চস্থ কৰাত দৰ্শকে শলাগ লৈছে। মহাবিদ্যালয়খনৰ ইতিহাসত প্ৰথমবাৰ পূৰ্ণাংগ অসমীয়া নাটক মঞ্চস্থ কৰি সংলাপত অসমীয়া ভাষাগত দিশসমূহৰ সম্পৰীক্ষা কৰা পৰিলক্ষিত হয়। অসমীয়া উপ-ভাষাৰ দিশটো বিশেষকৈ নলবৰীয়া গাঁৱলীয়া মহিলাই ব্যৱহাৰ কৰা ভাষাক নাটখনত নাট্যকাৰে সুন্দৰভাৱে ব্যৱহাৰ কৰাত সফল হৈছে বুলিব পাৰি। ■ **এনএনঅ' এণ্টাৰটেইনমেণ্ট ডেস্ক**

# ৭ ডিচেম্বৰত গুৱাহাটীত দক্ষিণ-পূব এছিয়া সাংস্কৃতিক সন্মিলন

**দক্ষিণ-পূব এছিয়াৰ** দেশসমূহৰ মাজত সংস্কৃতি, পৰ্যটন, বিশ্বাস, ভাতৃত্ববোধ আৰু পাৰস্পৰিক সমন্বয়ৰ সেতু গঢ়াৰ প্ৰয়াসেৰে 'নৰ্থ-ইষ্ট আশীৰ্বাদ ফাউণ্ডেচন'ৰ উদ্যোগত অহা ৭ ডিচেম্বৰত গুৱাহাটীৰ পাঞ্জাবাৰী শিল্পগ্ৰাম চৌহদত অনুষ্ঠিত হ'ব '৩য় দক্ষিণ-পূব এছিয়া সাংস্কৃতিক সন্মিলন-২০২৪'। উত্তৰ পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰ, শিল্পগ্ৰাম, ভাৰত চৰকাৰ আৰু সাংস্কৃতিক পৰিক্ৰমা সঞ্চালয়কালয়, অসম চৰকাৰৰ সহযোগত ২০২২ বৰ্ষত প্ৰতিষ্ঠিত অসমৰ অগ্ৰণী অনুষ্ঠান নৰ্থ-ইষ্ট আশীৰ্বাদ ফাউণ্ডেচনে আয়োজন কৰা এই আন্তঃৰাষ্ট্ৰীয় সন্মিলন ভাৰতৰ বিশিষ্ট ৰাজনীতিবিদ, সংস্কৃতিৰ পণ্ডিত, শিক্ষাবিদ, সাংস্কৃতিক সংগঠক লগতে ৫ খন বিদেশী ৰাষ্ট্ৰৰ সাংস্কৃতিক দল আৰু অসমৰ বিশিষ্ট কলা-কুশলী, শিল্পীৰ দলে অংশগ্ৰহণ কৰিব। জীনা ৰাজকুমাৰীৰ পৰিচালনাত অনুষ্ঠিতব্য আন্ত:ৰাষ্ট্ৰীয় সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত ক্ৰমে থাইলেণ্ডৰ মহাচাৰাখাম বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক দলে, অসমৰ বাৰেৰহণীয়া সংস্কৃতি, ভিয়েটনামৰ সাংস্কৃতিক দলে, ভূটানৰ সাংস্কৃতিক দলে,কটন বিশ্ববিদ্যালয় টাই সাংস্কৃতিক দলে, থাইলেণ্ডৰ নৰেছুৱান বিশ্ববিদ্যালয় সাংস্কৃতিক দলে, নেপালৰ সাংস্কৃতিক দলে, অনু বসুমতাৰী দলৰ ভাৰত নাট্যম, ড০ সংগীতা কাকতিৰ গীত আৰু গায়ত্ৰী কোঁৱৰৰ সাংস্কৃতিক দলে দক্ষিণ-পূব এছিয়াৰ চহকী কৃষ্টি-সংস্কৃতি পৰিৱেশন কৰিব। সন্মিলনৰ সাধাৰণ সম্পাদক অসীম বৰাই জনোৱা মতে, অনুষ্ঠানত পদ্মশ্ৰী যতীন গোস্বামী, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী কেশৱ মহন্ত, অতুল বৰা, অৱসৰী মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ আদি বিশিষ্ট নাগৰিকসকল উপস্থিত থাকিব।

# ৰঙিয়াৰ পিতাম্বৰ হাটবজালীত দিবা-নৈশ ক্রিকেট

**ই-সংবাদ, ৰঙিয়া, ৫ ডিচেম্বৰঃ** ৰঙিয়াৰ পিতাম্বৰ হাটবজালীত বিজেপি উত্তৰ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ উদ্যোগত তথা মলোখাট যুৱক সংঘৰ সহযোগত পঞ্চদশ বাৰ্ষিক দিবা-নৈশ টেনিছ বল ক্রিকেট প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১৩ ডিচেম্বৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগা প্রতিযোগিতাৰ প্রথম আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ট্ৰফীসহ ৩১ হাজাৰ আৰু ১৯ হাজাৰ টকা আগবঢ়োৱা হ'ব। অংশগ্রহণৰ বাবে আগ্রহী দলসমূহে সবিশেষ তথ্যৰ বাবে ৭০০২৪০৯৭১৭ অথবা ৭৬৬৩৮৪৯৬০৭ ফোন নম্বৰ যোগে যোগাযোগ কৰাৰ বাবে আহ্বান জনাইছে আয়োজক সমিতিয়ে।

# জিএছটিৰ ৭০ কোটি টকীয়া কেলেংকাৰীৰ নায়ক নটৱাৰ কুমাৰ জালানক গ্রেপ্তাৰ



**ই-সংবাদ, ৫ ডিচেম্বৰঃ** ৰাজ্যৰ ৰাজধানী গুৱাহাটীত কৰ ফাঁকি দিবলৈ ব্যৱহাৰ কৰা হৈছিল জিএছটিৰ ভুৱা চালান। জিএছটিৰ নামত সংঘটিত ভয়ংকৰ জালিয়াতিৰ ঘটনা পোহৰলৈ আহিছে। ভুৱা চালানেৰে কোটি কোটি টকা প্রৱঞ্চনা কৰা এটা চক্ৰক চিনাক্ত কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীৰ জিএছটি ইন্টেলিজেঞ্চ সঞ্চালকালয়ে ৭০ কোটি টকাৰ ভুৱা চালান কাণ্ডত জড়িত ৰেকেট উৎখাত কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীৰ কেদাৰ ৰোডস্থিত M/s Yash Associateৰ অংশীদাৰ নটৱাৰ কুমাৰ জালানক ভুৱা ইনপুট টেক্স ক্রেডিটত (আইটিচি) ১০ কোটি দাবী কৰাত গ্রেপ্তাৰ কৰাৰ পিছতে সমস্ত কেলেংকাৰী পোহৰলৈ আহিছে। কমেও এক ডজন সন্দেহজনক প্রতিষ্ঠান কেলেংকাৰীৰ সৈতে জড়িত। জালানৰ প্রতিষ্ঠানে প্রৱঞ্চনামূলক আইটিচি দাবী কৰা ভুৱা চালান জাৰী কৰিছিল। ভুৱা চালানেৰে ৭০ কোটি প্রৱঞ্চনা কৰা হৈছিল বুলি জানিব পৰা গৈছে। জালানক ন্যায়িক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱা হয়। ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্রেৰণ কৰা হৈছে।

## ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্রতিযোগিতা

# কলকাতাৰ অনুশীলনী ছেমিত

**ই-সংবাদ ক্রীড়া সেৱা নগাঁও, ৫ ডিচেম্বৰঃ** নগাঁও ক্রীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্রাইজমানি ফুটবল প্রতিযোগিতাত কলকাতাৰ অনুশীলনী ফুটবল দল ছেমিফাইনেলত উপনীত হৈছে। ঐতিহ্যমণ্ডিত এই প্রতিযোগিতাৰ আজি অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত অনুশীলনী দলে মৰিগাঁৱৰ ইণ্টাৰ নষ্ট ইষ্ট এফ চিক ৩-০ গ'লত পৰাজিত কৰে। বিৰতিলৈকে গ'লশূণ্যভাৱে থকা তুমুল উত্তেজনাপূৰ্ণ খেলখনৰ -৬৩ মিনিটত ইন্দ্ৰজিৎ মণ্ডলে অনুশীলনীৰহৈ প্রথমটো গ'ল দিয়াৰ পিছত-৬৫ মিনিটত জ্যোতি বৰ্মনে দ্বিতীয়টো আৰু -৮০ মিনিটত পৰিবৰ্তিত খেলুৱৈ নাৰায়ণ ৰয়ে আন এটা গ'ল দি অনুশীলনীৰ ৩-০ গ'লত বিজয় নিশ্চিত কৰে। সতীৰ্থ দীপাংকৰে সৰদাৰে বিপক্ষৰ বক্সত উলিয়াই দিয়া বল অনুশীলনীৰ ইন্দ্ৰজিতে দৰ্শনীয় হেডিঙৰে প্রথমটো গ'ল দিয়াৰ দুই মিনিট পিছতে দ্বিতীয়টো গ'ল জ্যোতি বৰ্মনে একক প্রচেষ্টাৰে দিবলৈ সক্ষম হয়। আনহাতে, অনুশীলনীৰ অমিয় অধিকাৰীয়ে দীঘলীয়া শ্বটৰে বিপক্ষৰ গ'লমুখৰ সন্মুখত দিয়া বল অৰক্ষিত অৱস্থাত থকা নাৰায়ণ ৰয়ে ক্ষিপ্ৰতাৰে আয়ত্তলৈ আনি কোবাল শ্বটৰে তৃতীয় গ'লটো দিয়ে। প্রথমাৰ্ধত ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰ খেলুৱৈসকলে সংঘবদ্ধভাৱে খেলি বিপক্ষৰ ৰক্ষণবিভাগত উপৰ্যুপৰি হেঁচা প্রয়োগ কৰিছিল যদিও ফৰৱাৰ্ড লাইনৰ খেলুৱৈকেইজনৰ দুৰ্বলতাৰ বাবে গ'ল দিয়াত ব্যৰ্থ হয়। অৱশ্যে দ্বিতীয়াৰ্ধত অনুশীলনীৰ খেলুৱৈসকলে কৌশলগত খেলৰে বিপক্ষৰ ৰক্ষণবিভাগক ছেদেলি-ভেদেলি কৰি গ'ল দিয়াৰ সুযোগ সৃষ্টি কৰিবলৈ সক্ষম হয়। অনুশীলনী দলটোৰ খেলুৱৈসকলৰ খেলে আজি নগাঁওৰ ক্রীড়াপ্রেমী দৰ্শকক মোহিত কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে ঘনশ্যাম দাস, কৃষ্ণকান্ত দাস আৰু আব্দুল মজিদ চৌধুৰী (চতুৰ্থ)য়ে। নগাঁও ক্রীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসৰ উপৰি আয়োজক সমিতিৰ অন্যতম বিষয়ববীয়া উজ্জল বৰুৱা, অসীম কুমাৰ ভাৱাল, প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য, দেৱজিৎ দাস, শুভ্ৰজ্যোতি শইকীয়া, দেৱজ্যোতি গোস্বামী, সঞ্জয় কুমাৰ মাহাতো, প্রচাৰ উপ-সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, কাইলৈ বিয়লি ১-৪৫ বজাত অনুষ্ঠিত হ'বলগীয়া প্রথমখন ছেমিফাইনেল খেলত কলকাতাৰ অনুশীলনী দলটোৱে ডিফেণ্ডিং চেম্পিয়ন দুলীয়াজানৰ অইল ইণ্ডিয়া এফচিৰ বিৰুদ্ধে প্রতিদ্বন্দ্বিতা আগবঢ়াব।



৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্রতিযোগিতাৰ এটি উত্তেজনাপূৰ্ণ মুহূৰ্ত, নগাঁৱত

# কৰ্দৈগুৰি কাপৰ ছেমিত লেকাং ক্লাব

**ই-সংবাদ, ডুমডুমা, ৫ ডিচেম্বৰঃ** অসম ফুটবল সন্থা আৰু তিনিচুকীয়া জিলা ক্রীড়া সন্থাৰ তত্বাৱধানত তালাপ-কৰ্দৈগুৰি আঞ্চলিক ক্রীড়া সন্থাৰ উদ্যোগত প্রথম বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ দিবা-নৈশ আমন্ত্ৰণমূলক ফুটবল প্রতিযোগিতা "কৰ্দৈগুৰি কাপ-২০২৪" আজিৰে পৰা ১২ ডিচেম্বৰ, ২০২৪ লৈকে কৰ্দৈগুৰিৰ বৰগড়া ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হৈছে। প্রতিযোগিতাত লেকাং স্পৰ্টছ ক্লাব (অৰুণাচল প্রদেশ), লিংজেং এফ চি (মণিপুৰ), কাকপথাৰ ফুটবল কচিং চেন্টাৰ, কৰ্দৈগুৰি এফ চি, অম্লান গোষ্ঠী (নগাঁও), নামৰূপ টাউন ক্লাব, চি জি এছ এছ (ডিব্ৰুগড়), য়ুথিয়াচ স্পৰ্টছ একাডেমীকে ধৰি মুঠ আঠটা দলে অংশগ্রহণ কৰিছে। লেকাং স্পৰ্টছ ক্লাব (অৰুণাচল প্রদেশ) আৰু কাকপথাৰ ফুটবল কচিং চেন্টাৰ মাজত অনুষ্ঠিত প্রতিযোগিতাৰ উদ্বোধনী খেলত লেকাং স্পৰ্টছ ক্লাবে কাকপথাৰ ফুটবল কচিং চেন্টাৰক ১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। লেকাং স্পৰ্টছ ক্লাবৰ হৈ একমাত্ৰ বিজয়সূচক গ'লটো দিয়ে ছানি দেউৰীয়ে। লেকাং স্পৰ্টছ ক্লাবৰ সুৰজিত সিঙক শ্ৰেষ্ঠ খেলুৱৈ হিচাবে নিৰ্বাচিত কৰি ট্ৰফীসহ নগদ ধনেৰে পুৰস্কৃত কৰা হয়। আৰম্ভণি খেলৰ শুভ উদ্বোধন কৰে মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণে। প্ৰাক্তন বিধায়ক দিলীপ মৰাণ, অসম মৰাণ সভাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিতোপন মৰাণ, মৰাণ কলা সংস্কৃতি বিকাশ মঞ্চৰ কেন্দ্ৰীয় সভাপতি লম্বেশ্বৰ মৰাণ, তিনিচুকীয়া জিলা ক্রীড়া সন্থাৰ সাধাৰণ সম্পাদক জীৱন বৰুৱা, অসম ফুটবল সন্থাৰ ৰেফাৰী বৰ্ডৰ সদস্য জয়ন্ত দহোতীয়া এই অনুষ্ঠানত উপস্থিত থাকে। ৬ ডিচেম্বৰত কৰ্দৈগুৰি এফচিয়ে নামৰূপ টাউন ক্লাবৰ বিৰুদ্ধে খেলিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি